will produce the large grants on which the present budget is based", and in passing I referred to the misfortunes of Mr. Micawber, whose state of financial stringency was only mitigated by his implicit faith in something turning up! Again, on a point of heavy development expenditure, we ventured to express our concern and almost in prophetic words asked the question—"Will there not be a day of reckoning when the Centre will close down on its advance payments and the elaborate edifice of post-war development will collapse?". We argued that if the Province was mortgaging its rights for future assistance, should there not be greater insistence on schemes which will at least be self-supporting, and urged the futility of appointing a prodigious staff and building up an elaborate organisation if finance was not forthcoming for a reasonable term of years. A year ago we had drawn attention to the need for avoidance of over spending by Government Departments as drastic economy in Government expenditure was the most the valuable short term measure in combating inflation. On the question of the subvention for post-war development which had been shown in the Budget as 230 lakhs of rupees, we observed: "We can see little justification for budgeting on expections of greater liberality from the Central Government". That, I regret to say, is another forecast which has been fully justified by events.

Today, the State is in a critical financial plight and balancing of the Budget has only been achieved by loans from the Centre. If Government had diagnosed correctly during the past three years the maladies from which the State was suffering, it could have avoided a great deal of expenditure, which has proved both abortive and frustrating. By distinguishing between productive schemes and purely welfare schemes, the resources of the State could have been increased, and by close attention to economy, substantial reserves could have been built up in this period, during which existing sources of income have steadily increased their yield.

It will not be disputed that the economic and financial policies adopted in Assam should conform to the general pattern of the policy of the Union of India, but there is still too much evidence of the mirage of the Welfare State with an expenditure of nearly one-quarter of the Province's real income on education, while the acknowledged policy of the Union Government is to increase productivity and to create an atmosphere in which industrialisation can develop. The Union Government has announced a policy of reduction in taxation in order to encourage incentive, and to stimulate investment. Over a wide area of India, in Bengal, Madhya Pradesh, U. P. and Madras—to name only a few States—no new taxation is being imposed, and though the Hon'ble Finance Minister cannot believe that taxation in Assam is appreciably lighter than in other Provinces, taxes are being increased in order that more should be spent. Lest I should be accused of viewing the economic policy of the Assam Government through the eyes of a foreigner, I am proposing to refer somewhat extensively to important statements which have been made recently. The Hon'ble Mr. Sarkar, in presenting the West Bengal Budget, analysed current economic problems in a brilliant, masterly speech. "Economic well-being", Mr. Sarkar observed, "in the long run depends upon the rate at which we form new capital". "The most important reason for the apathy of the capital market has been the heavy penalty imposed on personal initiative and enterprise through high rates of income tax", and Mr. Sarkar proceeded to demonstrate that taxation in India is the highest in the world except the United Kingdom. He then referred to the measures which have been taken in various countries, such as Canada, Australia, Brazil and Argentine, to stimulate trade and industry and also to attract foreign capital, pointing out that foreign capital is attracted to that country where the taxes are the least burdensome. "It is", he observed, "of the utmost national importance that conditions are created in the country so that Industry may find a propitious field to grow and thrive. This requires proper incentive to capital to play its part in the productive processes".

The development and encouragement of Indian industry is and has been accepted by all as a policy which cannot be disputed. It is, however, relatively recently that there has been a recognition of the value of foreign industry and the need for attracting more foreign capital. The Hon'ble Dr. Matthai, speaking in Parliament, observed: "Foreign capital is necessary in this country not merely for the purpose of supplementing our own resources but for instilling a spirit of confidence among our investors. Any considerable assistance in the way of capital from foreign countries must hereafter be looked for not in the shape of fixed interest-bearing loans and bonds but in the shape of equity capital on the basis of joint participation and of strict business consideration without any political strings attached to it". I consider that kind of assistance desirable from our point of view and probably feasible from the point of view of the foreign investor.

"The House", he continued, "will appreciate the change that has come in the investment market of foreign countries. In the 19th century when foreign capital went on from advanced countries to undeveloped countries, they had the security bond of political control. In other words, colonialism provided the nacessary sense of security to the foreign investor. To-day, since colonialism has disappeared, the only way in which the same sense of security could be imparted is by friendly agreement, and, therefore, it is necessary that we should consider providing reasonable conditions of security and fair treatment for those who are willing to take the risk of investing their money in this country".

Taxation policy in Assam will not merely affect the fortunes of the foreign industries operating here but will influence the rate at which new capital from abroad flows into India. As I have said before, world money markets are more impressed by what is done to existing industry than in the attractions which may be offered to new industry. As far as the Tea Industry is concerned, there has been a very heavy increase in the weight of taxation, and the Hon'ble Finance Minister must accept responsibility for the fact that a large percentage of the new taxation which has been imposed in his term of office has fallen mainly on industry. There is, morever, a taxation race between the Centre and the Province. The Tea Industry in Assam is paying more than 9 crores of rupees in taxation to the Centre and to Assam. The effect of this has been to deprive Companies of the opportunity of building up reserves and already in Cachar a crisis of real magnitude has arisen. In 1946 gross profits amounted to Rs.79 lakhs: this had been reduced to Rs.11 lakhs in 1948, though prices of tea were high and climatic conditions by no means unfavourable. What is happening in Cachar will shortly be occurring in Assam.

It may be of some interest if I explain how foreign capital is being attracted to East Africa, where in a period of just over 10 years, the acreage under Tea has more than doubled. Not only are costs of production low, being in the neighbourhood of 10*d.* a lb. as against 23*d.* in Upper Assam, but taxation is attractively light. An East African company pays in taxation only 10·3 per cent. of its profits, while the corresponding percentage of similar Companies in Assam is 54·7. The urgent need of to-day is immediate and substantial reduction in taxation in order to bring industry back into a state of health and to create the conditions in which industry will expand. If I may quote once more—this time from the leading Indian economic journal—

"The purpose of a surplus budget should be more production. This is a counsel of perfection more easy to prescribe than to implement but it does provide a bar to the frittering away of a surplus on what are described as 'welfare schemes'. Health and education are important things but they must wait for better times. It is one of the most grave commentaries on our finances in recent years that we have had so much to ignore them (not perhaps in Assam)—but it was not our finance which was wrong in this respect, it was our economic

situation: we had been so hard-pressed with the task of living at all that we had necessarily to curtail anything which strikes at our standard of living. There is at least this to be said, that the more we produce, the quicker will this reproach on our finances be blotted out."

A comparison of the amounts proposed to be spent in the coming year with the amounts actually expended during 1947-48, the second year of office of the Ministry, will indicate the extent to which welfare is placing a strain on the finances of the Province. While General Administration has increased by 21 per cent. and Administration of Justice by 7 per cent., Jails by 21 per cent and Police by only 13 per cent.; Education has increased by 93 per cent., Medical by 60 per cent., Industries by 50 per cent., Civil Works by 180 per cent. and Miscellaneous by 100 per cent. In the case of Agriculture we willingly concede that a portion of this expenditure must be regarded as productive and in any case unavoidable, so long as the present food emergency obtains throughout India.

At this stage let me recapitulate our general objections to the present Budget:

(1) Unsoundess of new taxation: on the other hand, a reduction needed in the level of present taxes.

(2) An anti-inflationary budget required, with a real and substantial budget surplus.

(3) The Budget surplus to be secured by economy in Government expenditure.

(4) Greater emphasis to be laid on productive schemes and expenditure on welfare activities to be curtailed until the State can afford them.

Though in the time which has been allotted to me I cannot discuss in detail many interesting features of the Budget, I will endeavour to refer very briefly to a number of salient points. A year ago, in reply to the Budget debate, the Hon'ble Finance Minister had intimated Government's anxiety to deal with the re-organization of Government Departments in order to secure a greater measure of efficiency at lower cost. A year has elapsed and there has been no meeting of the Committee to consider this, though its first appointment was announced on the 6th December, 1948. The terms of reference of that Committee are now to some extent out of date and the question of retrenchment on a much wider scale than was contemplated in 1948 requires urgent consideration. It has been found in many parts of the world that Bureaucracies are always resistant to measures of retrenchment, and we regard it as essential that those who foot the bill should decide to what extent the present strength of Departments is justified.

The Hon'ble Finance Minister had occasion during his speech to refer to the Central Taxation levied on the Tea Industry. While his main thesis is correct that the taxation is heavy and nothing out of it comes to Assam, we would like to point out that it is far heavier than he indicated. The production of 350 million lbs. would appear to include Sylhet, which is no longer a part of Assam, and 300 million lbs. would be a more accurate figure. Excise duty is at 3 annas per lb., and on export 4 annas a lb. is levied, but the Excise duty is set off, resulting in Export Teas paying 1 anna in addition to 3 annas Excise. Excise duty realised will be $5\frac{1}{2}$ crores and Export duty $1\frac{1}{4}$ crores, making a total of $6\frac{3}{4}$ crores and not 5 crores, as stated by the Hon'ble Minister.

I have had occasion in previous years to refer to the very meagre expenditure on anti-corruption. If the reports which reach me are even fractionally correct, corruption has become one of the major problems of administration and in all probability the amounts paid illicitly run into many lakhs of rupees, if not

crores. This can be regarded as an avoidable burden on the public which looks to Government to provide an effective organisation to prevent or limit corrupt practices. No Anti-corruption Branch can possibly be an effective instrument so long as the monthly expenditure is as low as Rs.5,000.

While on the subject of Police, we are by no means convinced that the Police are sufficiently well organised to meet the possible strains which may be placed on them. Despite the great liberality which has been evinced in bestowing funds on the Welfare Departments, Police expenditure has increased relatively little though since Partition it is recognised that their responsibilities are greater. Further, with the developments in Eastern Asia, the threat of subversive activity is greater to-day than at any other time. The time has come when every important Police Station should have its own Wireless Station, enabling it to send and receive messages. Saboteurs today can easily disrupt telegraph, road and railway communications and to counteract this it is necessary for all important Police posts to be adequately armed: secondly, for them to have means of sending messages which cannot be readily intercepted or interrupted: and thirdly, for mobile forces which can be transported to disturbed areas rapidly and for such forces to have the armed strength to deal with any opposition. As I have said, we doubt whether the present Police organisation can satisfy the standards which are required to-day and in stating this, we intend no disparagement to the officers or ranks of the Assam Forces.

I am constrained to comment on the very inadequate information which is offered to Hon. Members in regard to the very extensive transport organisation which Government are now operating. It would be difficult to imagine a less informative way of presenting the financial effects of the transport operations than is achieved in Government's Memorandum and the Budget Estimates. May I contrast this with the lucid and illuminating information which the Central Government offer to Members of Parliament to enable them to consider the financial results of railway operation ? Figures for ton-mile operation and passenger-mile are provided, which show quite readily what the cost of the service is and how it compares with previous years. It is virtually impossible to find out without enormous labour what capital the Assam Government have actually invested in the motor business First of all this was shown under a Major Head 85A: more recently Receipts are being shown under XLVI and Revenue Expenditure under 57.—Miscellaneous; while Capital Expenditure is now segregated under a new head 82-B. It is not clear what account is taken in these estimates of depreciation or interest charges. While depreciation is provided in the Budget of 1950-51, provision in respect of all services has not been made in the Revised. Then again, there is the question of the loss to Government on the taxation which was being obtained from private transport operating on the routes before nationalisation. This is an item which ought to be taken into account in considering the profitability of the present services An interesting phenomenon in these Motor Transport accounts is the success of the Jorhat-Dibrugarh service, which according to the memorandum opened in 1949 and has operated through the remainder of the current financial year without any expenditure on operational account, or on staff, and has shown a profit of 3½ lakhs.

That Nationalised Transport Services are estimated to earn ½ lakh more than expenditure which is calculated at 44 lakhs This excludes the capital account. On the 27 lakhs in the capital account incurred in 1949, the commercial return is 2 per cent. and this is after withdrawal of return tickets at concession rates on the Gauhati-Shillong route. We are quite unable to reconcile the figures given by the Hon'ble Finance Minister in his speech at page 37 of the printed copy. He stated that in the period ending 31st December 1949, the Gauhati-Shillong

route brought in a net income of Rs.19 lakhs, after deducting the total direct expenditure of Rs.16,63,000 for Staff, petrol, lubricant and maintenance from total earnings. The Budget does not supply us with the earnings and receipts for this period but for the financial year ending 31st March 1950—but it is inconceivable that there should be any wide and inexplicable difference in the trends of the accounts for periods which cover a common space of nine months No capital expenditure is included in either account. We find on page 26 of the Budget gross receipts Rs.22,90,000 from this service, and at pages 269, 278 and 279 Revenue expenditure Rs.17,37,100 a surplus of Rs.5 lakhs only, which is a very different picture to that painted by the Hon'ble Finance Minister.

We have received in the past from the Hon'ble Finance Minister great consideration and sympathy in meeting our requests for information required under the Budget Manual to be included in the Budget Statements and I am confident that the Hon'ble Finance Minister will see in future that an undesirable practice which seems to have been adopted by a number of Departments this year for the first time in the Revised Estimates, is not allowed to continue. I refer to the practice of giving lump sums which have been prepared from detailed estimates. In most cases in the previous year, accounts were broken up under detailed items, and the correct practice has in many cases also been followed for the Budget of 1950-51. Though there are a very large number of such instances, I will quote only a few :—

| | Rs. | |
|---|---|---|
| Page 184—Agricultural Education—Contingencies ... | 50,000 | Revised. |
| ,, 197—Co-operation—Pay of Establishment ... | 37,200 | ditto. |
| ,, 205, 213 Rural Development—Rural Organisation ... | 1,20,000 | ditto. |
| ,, 217—Grants in Aid ... ... ... ... | 4,30,000 | ditto. |
| ,, 278—Miscellaneous—Road Transport : Establishment. | 4,65,900 | ditto. |

It will be appreciated that under a system of giving lump sums, no scrutiny of the Revised Estimates is possible.

We deplore a recent development in regard to the Pasteur Institute. The increase in the cost of sera and vaccine sold, which has resulted in many of the preparations being placed beyond the reach of the poorer classes. Government spend money freely on public health and medical facilities: there is no thought of trying to make the Medical College at Dibrugarh financially self-supporting: and we see no reason why commercial principles should be applied to the Pasteur Institute. Anti-rabic serum and other vaccines and sera cannot be regarded as luxuries and the price should be kept as low as possible so that no individual is deprived of this life-saving service.

We have had occasion to refer on previons occasions to the profits which Government continue to make from Grain. This profit derived by Government is 45 lakhs in the Revised and 47 lakhs in the coming year. When a major tax such as Sales Tax produces a net 36 lakhs in the Revised and 37½ lakhs in the Budget 1950-51, is there not a valid case for lowering the taxation levied through the administrative charge of 6¼ per cent ?

There is a small item, which though of no financial importance is of more than usual interest. We in the Tea Industry have been at pains to observe an exhortation from Government to avoid the use of a term, which is regarded as

offending against the dignity of labour. It was, therefore, with considerable concern that I noticed on page 271, no less than three separate reference to Coolies and Coolie Corps. May we suggest a suitable alteration in the next Budget ?

After so many criticisms of the Budget and the financial policy, I consider that I should hasten to congratulate the Ministry on the reduction which has been effected in their own expenditure under 25.—General Administration. It has meant the departure, which we regret, of our esteemed Friend, the Hon'ble Mr. Tayyebulla from the Ministerial ranks, and we trust that the cause of Opium Prohibition will not be allowed to suffer. In other directions economics have been effected, and the Ministry are clearly setting a good example by reducing their own expenditure.

When the next elections will be complete Government alone can tell, and this may be the last occasion on which this Group will have the privilege of debating a Budget in this House. We have appreciated very deeply, the courtesy and cordiality which has been extended to us by Hon'ble Ministers and Members of the Congress Party, and also by the Hon'ble the Leader of the Opposition and his Party. Though the numerical strength of the Group is so small, we can claim without fear of contradiction to have examined every important measure, including the Budget Estimates, with meticulous care, and we can take justifiable pride in having placed before the House proposals and views which have always been constructive. We have endeavoured to support and strengthen those Parliamentary traditions which are now permanently enshrined in the Constitution of India, believing as we do that these traditions and conventions are the very essence of the democratic way of life. Democracy is perhaps the most exacting of all forms of Government, but we can take encouragement for the future, firm in the conviction that in Assam and in this Legislature democratic principles are well and truly established.

Mr. Speaker, Sir, I must close on a personal note as this is my last Budget speech. I have been a Member of this Honourable House, now, for twelve years, have witnessed many epoch making changes. I am fortunate indeed in that I have only the happiest memories of my time in this House. I thank you Sir, the Hon'ble Ministers and all the Hon. Members for the understanding, patience and regard which is, and has always been, extended to my Group and myself in particular.

**Srijut HARI NARAYAN BARUA**: মাননীয় অধ্যক্ষ মহোদয়, মাননীয় বিত্তমন্ত্রী মহোদয়ে যি হিচাবে এই সদনত আগত আয়-ব্যয়ৰ তালিক দাঙি ধৰিছে, তাৰ বাবে মই তেখেতক অভিনন্দন জানাইছো। আমাৰ এই প্ৰান্ত অৰ্থনৈতিক সঙ্কটৰ সন্মুখীন হোৱা স্বত্ত্বেও তেখেতে এই বাজেট ৰচনা কৰোঁতে ৰাইজৰ হিতজনক অনুস্থান বিলাকক সকলো ক্ষেত্ৰতে সুবিধা দিছে, আৰু দেশৰ উন্নতিমূলক কাম বিলাক আগবঢ়াই নিবৰ কাৰণে মনোযোগ দিছে।

এই বাজেটত মই এটা বিশেষত্ব দেখিছো এই যে আগৰ পুৰণি কৰৰ হাৰ কিছু বৃদ্ধি কৰাৰ বাহিৰে দেশৰ প্ৰজাৰ ওপৰত কোনো নতুন কৰ ধাৰ্য্য কৰা হোৱা নাই; আৰু এই বৃদ্ধি কৰৰ পৰাই ৰাইজৰ উন্নতিমূলক কামবিলাকত খৰচ কৰিবলৈ ব্যৱস্থা কৰিছে। যদিও এই সদনত আমাৰ মিঃ চাৰোৱাণ চাহেবকে আদিকৰি কেইবা জনো মাননীয় সদস্যই কৰৰ হাৰ বৃদ্ধি কৰাত অসন্তোষৰ ভাব প্ৰকাশ কৰিছে; বোধহয় তেখেতসকলে ভাবিচোৱা নাই যে প্ৰজাৰ হিতকৰ কামবিলাক সম্পন্ন কৰাৰ কাৰণে যথেষ্ট টকাৰ প্ৰয়োজন। টকা নোহোৱা গৱৰ্ণমেণ্ট এটাৰ পৰা কেতিয়াও ভাল কাম আশা কৰিব নোৱাৰি। আজি অসম যিবিলাক সমস্যাৰ সন্মুখীন হৈছে, সেই সমস্যাবিলাকৰ সমাধানাথে আৰু প্ৰজাৰ সকলো অভাৱ-অভিযোগ পুৰণ কৰিবৰ কাৰণে

যদি গভৰ্ণমেণ্টৰ হাতত টকা নেথাকে, তেনেহলে গভৰ্ণমেণ্টেই বা সেই বিলাক কাম কৰে কেনেকৈ। অৱশ্যে মই মিঃ চাবোৰাণ চাহাবৰ লগত এই কথাত একমত যে দুখীয়া প্ৰজাৰ ওপৰত কৰ ধাৰ্য্যকৰাৰ বিষয়ত ময়ো নাই আৰু সমৰ্থনো নকৰো।

ভাৰতবৰ্ষ আজি দ্বিখণ্ডিত হল। আমি ভাবিছিলো যে সাম্প্ৰদায়িক ভোটত ভাগ হৈ পাকিস্থান আৰু হিন্দুস্থান হোৱাৰ পিচত সাম্প্ৰদায়িকতাৰ জুইৰ ওৰ পাৰিব। কিন্তু আজি আমি কি দেখিছো—আমি দেখিছো দেশ বিভক্তৰ পিচতো সেই সাম্প্ৰদায়িকতাৰ বিষাক্ত জুই জ্বলি দুয়োখণ্ড দেশকে চাৰখাৰ কৰিব লাগিছে। সেই জুয়েই আমাৰ এই শান্তিপূৰ্ণ অসমকো চাৰখাৰ কৰিবলৈ ওলাইছে। আমাৰ বিৰোধী দলৰ নেতা মাননীয় শাদুল্লা চাহাবে সিদিনাখন কৈছিল "মই যেতিয়া অসমৰ বাহিৰলৈ যাঁও তাত অসমৰ শান্তিপূৰ্ণ অৱস্থাৰ কথা শুনি বৰ গৌৰৱ অনুভৱ কৰো"। কিন্তু আজি দেখা গৈছে যে জাতিৰ পিতা মহাত্মা গান্ধীৰ আত্মত্যাগেও মানুহৰ ভ্ৰম আৰু চেতনা ঘূৰাই আনিব পৰা নাই। আজিও পাকিস্থানত লক্ষলক্ষ হিন্দু নৰ-নাৰীৰ ওপৰত যি নৃশংস অত্যাচাৰ চলিছে, তাৰ প্ৰতিক্ৰিয়াই আমাৰ এই প্ৰান্তৰো আভ্যন্তৰিন শৃঙ্খলা আৰু শান্তি বিপদাপন্ন কৰি তুলিছে। বিশৃঙ্খলাকাৰী দল বিলাকে দেশৰ প্ৰতিস্থিত সমাজ ব্যৱস্থাক পুৰি চাই কৰি পেলাব খুজিছে। আমি বাস্তৱিকতে লজ্জিত আৰু দুঃখিত যে এনে শান্তিপূৰ্ণ ৰাজ্য এখনতো এনেকুৱা ঘটনা ঘটিব পাৰিছে। সাম্প্ৰদায়িকতাৰ বিষাক্ত বায়ু বা গেচে গোটেই দেশ চাতি পেলাব খুজিছে। বৰ্ত্তমান দেশত ঘটা বিশৃঙ্খলাৰ পৰা দেশ আৰু সমাজক ৰক্ষা কৰিবলৈ আমি নিশ্চয় সকলোৱে একযোগে কাম কৰিব লাগিব। আৰু বিশৃঙ্খলাকাৰী দলবিলাকে দেশখন পুৰি চাই কৰাৰ আগতেই আমি সজ্জবদ্ধ হব লাগে। মই এই সদনৰ মাননীয় সদস্য সকলৰ পৰা এইটোকে বাঞ্চা কৰো যেন তেখেতসকলে আমাৰ ৰাজ্যত ঘটা বিশৃঙ্খলা দূৰীকৰণ আৰু আভ্যন্তৰিণ শান্তি স্থাপনত দেহে—কেহে সহায় কৰে।(শুনক, শুনক) এইটো সঁচা কথা যে পাকিস্থানত আজি হিন্দু বধৰ অভিনৱ কাণ্ড চলিব লাগিছে। সেই বুলি এই দেশতো আমি যে তাকেই কৰিব লাগে তাৰ কোনো অৰ্থ নাই। জাতিৰ পিতা মহাত্মাই আমাক এটা আদৰ্শ দি গৈছে ; সেই আদৰ্শৰ প্ৰতি আমি সদায় লক্ষ ৰখা উচিত। উত্তেজনাৰ বশবৰ্ত্তী হৈ কাম কৰা উচিত নহব। এইটো কথা কোৱা কিমান ঠিক হব মই বুজিব পৰা নাই, তথাপি মই ভাবো যে আজি যেতিয়া দেশত আভ্যন্তৰিণ বিশৃঙ্খলাই দেখা দিছে, আমি নাইবা এই সদনৰ সভ্যসকলে এনে কথা কোৱা ঠিক নহব যি কথাই বিশৃঙ্খলাকাৰী দল বিলাকৰ কাৰ্য্যত সহায় হব। যদি দেশৰ মানুহে কোনো সমস্যাৰ সমাধান বিচাৰিছে, সেই সমাধান অহিংস উপায় অবলম্বনৰ দ্বাৰাও পাব পাৰে। পাকিস্থানে আজি যি নাৰকীয় ঘটনাৰ সৃষ্টি কৰিছে তাৰ বিচাৰ নিশ্চয় এদিন হব। এই সময়ত আমি যদি ধৈৰ্য্য নেহেৰুৱাও তেন্তে আমাৰেই জয় অৱশ্যম্ভাবী।

মই এই বিষয়ত আমাৰ এজন সদস্য আৰু মোৰ বন্ধু শ্ৰীযুত ভদ্ৰকান্ত গগৈ দেৱে যি কমিউনিষ্টৰ উৎপাতৰ কথা বৰ্ণনা কৰিলে আৰু কমিউনিষ্ট বিলাক ধৰিব নোৱাৰাৰ কাৰণে পুলিচক দোষাৰোপ কৰিলে, সি আংশিক ৰূপে সত্য হলেও মই তেখেতৰ লগত একমত হব নোৱাৰো। কাৰণ আমাৰ প্ৰান্তৰ কৰ্ম্মচাৰী সকলৰ ভিতৰত দুইএজন নিশ্চয় শৃঙ্খলাহীন বা সাহসহীন থাকিব পাৰে ; কিন্তু আমি যদি সকলো ক্ষেত্ৰতেই একমত হৈ কৰ্ম্মচাৰী সকলৰ কাৰ্য্যত বিৰোধীতা নকৰি সহায় আৰু সহযোগ দিওঁ, মোৰ বোধেৰে তেওঁলোক কৰ্ত্তব্য পালনত কেতিয়াওঁ পিচ নুহুহকিব। আমি তেওঁলোকক সহায়-সহযোগ দি যদি ভালকৰি বুজাই দিব পাৰো যে আমাৰ পিচত ৰাইজো আছে আৰু ৰাইজেও কৰ্ম্মচাৰী সকলৰ কাৰ্য্যত সহায় কৰিব তেতিয়া মই ভাবো তেওঁলোকৰ সাহস দুগুণ বাঢ়ি যাব, আৰু অসম্ভৱ কাৰ্য্যও তেওঁলোকৰ দ্বাৰা হৈ উঠিব। ইয়াকে নকৰি আমি যদি সদায় কৰ্ম্মচাৰী সকলক হোৱাই-নোহোৱাই গালি-শপনি পাৰো আৰু সহায়-সহযোগ নকৰো, তেনেহলে তেওঁলোকৰ মনত বৰ্ত্তমানে দেখা দিয়া দুৰ্ব্বলতা স্থায়ী হব, আৰু লগে লগে দেশ বিপদাপন্ন হৈ সমাজো চাৰখাৰ হব। আমি ভবা উচিত হব যে আমি যেনেকৈ দেশৰ উন্নতি বিচাৰো তেওঁবিলাকেও তেনেকৈ দেশৰ উন্নতি বিচাৰে। সেই কাৰণে মই ভাবো এই সময়ত আমিও আমাৰ কৰ্ত্তব্য বুজি লোৱা উচিত। লগে লগে কৰ্ত্তব্য পালনত আমাৰ জাতীয় পিতাই দেখুৱাই যোৱা অহিংস আদৰ্শৰ প্ৰতিও লক্ষ ৰাখি জাতি গঠনৰ বাটত আগুৱাই যোৱা উচিত।

মই ইয়াকো ভাবো যে গভৰ্ণমেণ্ট আৰু ৰাইজৰ তৰফৰ পৰা আজি এটা মিলিত চেষ্টা হলেহে দেশৰ অভ্যন্তৰিণ শান্তি আৰু শৃঙ্খলা অক্ষুন্ন থাকিব। দেশৰ শান্তি আৰু শৃঙ্খলা ৰক্ষাৰ কাৰণে গভৰ্ণমেণ্টে বা পুলিছে ব্যৱস্থা কৰিব। অমিও আমাৰ ফালৰ পৰা প্ৰত্যেক জিলাৰ গাঁৱে গাঁৱে গাওঁৰক্ষী দল (Village Deience Party) গঠণ কৰিব লাগিব ; নহলে দেশত যি বিশৃঙ্খলা আৰু চুৰি-ডকাইতিৰ প্ৰকোপ উঠিছে, সি কেৱল পুলিচৰ চেষ্টাৰ ফলতে নিবাৰণ নহব। এনে দুৰ্বৃত্ত দলৰ হাতত সমাজৰ সম্পদো ৰক্ষা নপৰিব। এতিয়ালৈকে যি বিলাক ঠাইত ৰাইজৰ সহযোগ আৰু চেষ্টাৰ ফলত এই গাওঁৰক্ষী দল (Village Defence Party) গঠিত হৈছে ; তাৰ ভিতৰত আমাৰ যোৰহাটতেই সৰ্ব্বপ্ৰথমে এই দল গঠন কৰা হয়। স্থানীয় পুলিচ আৰু গাওঁৰক্ষী দলৰ সহযোগত ৰাতি গাঁৱে গাঁৱে পাহৰা দি দেশত হোৱা চুৰি-ডকাইতি বন্ধ কৰিবলৈ যত্ন কৰিছে। এই কাৰ্য্যৰ দ্বাৰা তেওঁ বিলাকে পুলিচ কনিষ্টবলক দৈনিক পহৰা কাৰ্য্যত সহায় কৰিছে আৰু সেই সহায়তাৰ ফলত পুলিচ সকলে চোৰ ধৰা পেলাব পাৰিছে। এই দৰেই পুলিচ কৰ্ম্মচাৰীক গালি নেপাৰি সহযোগ দিলেহে দেশৰ প্ৰকৃত মঙ্গল চিন্তা কৰা হব। কিন্তু এই পহৰাদাৰ সকলক নিশা পহৰা দিওঁতে অন্ততঃ তেওঁ বিলাকক আৱশ্যকীয় টিপ্‌চাকি (Torch light) ও লেমবাটি আদি যোগান দিয়াও ভীষণ অসুবিধাই দেখা দিছে। এই বিষয়ত আমাৰ গভৰ্ণমেণ্টে সহায় কৰিলেহে আশানুৰূপ ফল পোৱা যাব। আৰু লগে লগে মানুহ বিলাকো উৎসাহিত হব। দেশৰ শান্তি, শৃঙ্খলা আৰু নিৰাপত্তা ৰক্ষাৰ কাৰণে গভৰ্ণমেণ্টে এই ক্ষেত্ৰত ধন খৰচ কৰিবলৈ পিচ হুহকিলে নচলিব। দেশৰ মানুহে যদি এনে ধৰণৰ সংগঠন হাতত নলয় তেন্তে অতি শীঘ্ৰেই দেশ বিপদাপন্ন হৈ উঠিব।

আজি দেশ বিপদাপন্ন। দেশত আভ্যন্তৰিণ বিশৃঙ্খলাই মুৰ দাঙি উঠিছে। সমাজক ধংশৰ বাটেদি আগ বঢ়াই নিব খুজিছে। এই অৱস্থাত অকল পুলিচৰ ওপৰতে নিৰ্ভৰ নকৰি গভৰ্ণমেণ্টে ইতি পূৰ্ব্বে স্থাপন কৰা অতি আৱশ্যকীয় হমগাৰ্ড অনুষ্ঠানটো (Organisation) পুনৰ স্থাপন নকৰিলে দেশ আৰু সমাজ ৰক্ষা কৰা টান হব। এই শঙ্কট মূহুৰ্ত্তত দেশে আজি হ'মগাৰ্ড সকলক বিচাৰিছে গতিকে গভৰ্ণমেণ্টে হ'মগাৰ্ড অনুষ্ঠানৰে (Homeguard organisation) দুই চাৰিটাকৈ অংশ (section) প্ৰত্যেক জিলাত অস্থায়ীভাৱে হলেও ৰখাৰ ব্যৱস্থা তৎক্ষণাৎ যেন হাতত লয়।

ইয়াৰ পিচত মাননীয় চাৰোৱান চাহাবে আমাৰ চব্‌-ডেপুটি কলেক্টৰ সকলৰ ওপৰত কৰা অভিযোগৰ বিষয়ে কেই আষাৰমান কবলগীয়া হৈছে। তেওঁ চব্‌-ডেপুটি সকলক দোষী কৰিছে। কিন্তু, মোৰ বোধেৰে তেওঁলোকৰ ওপৰত বিশেষ কোনো দোষ নাই। আমি যদি তেওঁলোকক দোষাৰোপ কৰিবলৈ বিচাৰো তেনেহলে সদায় তেওঁলোকৰ দোষকেহে পাই থাকিম। ইয়াৰ পৰা আমাৰ মাজত সদভাবো স্থাপন নহব আৰু কামো সম্পন্ন নহব। বৰং কৰ্ম্মচাৰী সকলৰ কিবা দোষ ধৰা পৰিলে কৰ্ত্তৃপক্ষৰ দৃষ্টি গোচৰলৈ আনিব লাগে নহলে তাক সদভাবেৰে শুধৰাই লবলৈ যত্ন কৰিব লাগে ; তেতিয়াহে তেওঁবিলাকৰ পৰা সবহ কাম আদায় কৰিব পৰা হব। আন ঠাইত কি হৈছে মই নাজানো। কিন্তু, তেখেতে বিশেষকৈ তিতাবৰৰ চব্‌-ডেপুটি কলেক্টৰে বনুৱা আৰু মজদুৰ সকলক মাটি দিয়া নাই বা দিলেও বেয়ামাটি দিছে বুলি দোষাৰোপ কৰিছে। কিন্তু আমি জনাত মাটি দিয়া কাৰ্য্যত সেইজন চব্‌-ডেপুটি কলেক্টৰে মজদুৰ সকলক বিমুখ কৰা বা বেমেজালি ঘটোৱা কেতিয়াও পোৱা নাই।

**Prof. P. M. SARWAN**: মই পাইছো কাৰণেহে কৈছোঁ।

**Srijut HARINARAYAN BARUA**: কিন্তু মই হলে পোৱা নাই।

(*A voice* আপুনিনো কেলেই নেপায়)

ইয়াৰ পিচত মাটিৰ সমস্যা সমাধান সম্পৰ্কে গভৰ্ণমেণ্টে বিশেষকৈ আমাৰ বিত্তমন্ত্ৰী মহোদয়ে তেখেতৰ বাজেট বক্তৃতাত মাটিহীন মানুহবিলাকক মাটি ভগাই দিয়াৰ যি ইঙ্গিত দিছে তাৰ বাবে তেখেতক অভিনন্দন জনাও। এইটো আনন্দৰ কথা যে তাত তেখেতে কৈছে

বাগিছাত যিবিলাক অলায়ক মাটি আছে সেই মাটিবিলাক মাটিহীন মানুহৰ মাজত ভগাই দিয়াত বাগিছাৰ মালিক সকল ৰাজি হৈছে। সেই মাটি বিলাকৰ বন্দবস্তি (Settlement) দিবলৈ যিখন মাটি বন্দবস্তি সমিতি (Land Settlement Committee) আছে সেই সমিতিৰ মীমাংসা লৈহে বাগিছাৰ বনুৱাৰ কাৰণে (খৰি. খেৰ আদিৰ কাৰণে) আৱশ্যকীয় অংশ ৰাখি বাকী অংশ মাটিহীন মানুহৰ মাজত ভগাই দিব। আন হাতে আমি দেখা পাইছো বাগিছাৰ মেনেজাৰ সকলৰ কিছুৱে যি Fee simple grant আছে সেই Fee simple grant মাটিহীন মানুহ বিলাকক ভগাই দিবলৈ ইচ্ছা নকৰি তেওঁলোকৰ বাগিছাত কাম কৰা কৰ্ম্মচাৰী সকলক দখল কৰিবৰ কাৰণে আদেশ দিছে। মাটিহীন কৰ্ম্মচাৰী সকলে মাটি পোৱাত আমাৰ আপত্তি নেথাকিলেও ৰাইজৰ মাজত এটি ভয়ানক কথা শুনিছো। মেনেজাৰ সকলে হেনো বাগিছাৰ কৰ্ম্মচাৰী সকলক মাটি দখল কৰিবলৈ আদেশ দিছে। যদি এইটো সঁচা হয় তেন্তে বৰ মাৰাত্মক কথা। সেই কাৰণে মই ভাবো গভৰ্ণমেণ্টে এটা পৰিষ্কাৰ নীতি গ্ৰহণ কৰা উচিত। সেই নীতিত গৱৰ্ণমেণ্টে কৈ দিয়া উচিত যে মাটিহীন মানুহৰ কাৰণে কিমান অংশ এৰি দিব আৰু বনুৱাৰ কাৰণে কিমান অংশ ৰাখিব। বাগিছাৰ লোক সংখ্যা হিচাবে বাগিছাৰ কাৰণে আৱশ্যকীয় অংশটো বাদ দি ৰাখিলেই উচিত হব বুলি মই ভাবোঁ। বাকী অংশ মাটি নোহোৱা মানুহ বিলাকক ভগাই দিবলৈ ব্যৱস্থা কৰা উচিত হব। কাৰণ মাটি নোহোৱা সমস্যাটো এই প্ৰদেশত ইমান গুৰুতৰ হৈ উঠিছে যে ইয়াক কোনো প্ৰকাৰে সমাধান কৰিব নোৱাৰিলে এই সমস্যাই আমাক বা সমাজক পুৰি ছাই কৰিব। দেশৰ অগ্ৰগতিৰ পথত ইয়েই হেঙাৰ হৈ থিয় হব। যেনে তেনে প্ৰকাৰে গভৰ্ণমেণ্টে এই সমস্যা সমাধান কৰিবই লাগিব।

**The Hon'ble the SPEAKER**: মাননীয় সদস্যৰ সময় অতীত হৈ গৈছে।

**Srijut HARINARAYAN BARUA**: সভাপতি মহোদয়, মই খুব খৰকৈ শেষ কৰিম।—আৰু সেই সম্বন্ধে গভৰ্ণমেণ্টে এটা পৰিষ্কাৰ নীতি হাতত লোৱা সময় এতিয়া উপস্থিত হৈছে। ইয়াৰ ভিতৰত আৰু এটা কথা আছে। মাননীয় অৰ্থমন্ত্ৰী মহোদয়ে কৈছে যে, মাটি বিলাক ভগাই দিলেও তেওঁ বিলাকে ক্ষতিপূৰণ দিব লাগিব। এই কথাত মই একমত হব নোৱাৰিলো। কাৰণ মাটি নাইকিয়া মানুহ বিলাক দুখীয়া; তেওঁলোকে মাটিৰ অভাৱত কেনেকৈ হাঁহাকাৰ কৰি ফুৰিব লগা হৈছে তাক চৰকাৰে ভালকৈ জানে। ক্ষতিপূৰণ দিবলৈ তেওঁলোকে কাৰপৰা ধন পাব? এই নিমিত্তে গভৰ্ণমেণ্টে এনেকুৱা ব্যৱস্থা কৰা উচিত, যি ব্যৱস্থাৰ দ্বাৰা মাটিহীন মানুহ বিলাকক অতি কম মূল্যতে মাটি দিব পাৰে। ইয়াৰ ভিতৰত......

**The Hon'ble the SPEAKER**: আপুনি আনৰ সময়ত অনধিকাৰ প্ৰবেশ কৰিছে।

**Srijut HARINARAYAN BARUA**: ইয়াৰ ভিতৰত আৰু এটা কথা আছে গভৰ্ণমেণ্টে গাওঁ উন্নয়নৰ নিমিত্তে যিবিলাক পঞ্চায়ত স্থাপন কৰিছিল, সেই পঞ্চায়তবোৰ কমাই মাত্ৰ ১৫ খন হে ৰাখিছে। অৱশ্যে এইটো অৰ্থ অনাটনৰ কাৰণেই যে কৰা হৈছে তাক আমি বুজিছো। কিন্তু এটা কথা আমি ভাবি চাব লগা হৈছে। পঞ্চায়ত বিলাক বন্ধ কৰি বা পঞ্চায়ত বিলাকৰ কাম যদি একেবাৰে কমাই দিয়ে তেনেহলে এটা ভীষণ সমস্যাই দেখা দিব। এই সমস্যাৰ সন্মুখীন হবলৈ হলে আমাৰ গাওঁ উন্নয়নৰ যি পৰিকল্পনা, সি একেবাৰে নষ্ট হৈ যাব। সেই নিমিত্তে যেনে তেনে যাতে পঞ্চায়ত বিলাক পুনৰ জীবিত কৰি তুলিব পাৰে তাৰ নিমিত্তে অৰ্থমন্ত্ৰী মহোদয়ে বিবেচনা কৰি চাব বুলি আশা কৰিলো। ইয়াৰ লগতে আৰু এটা সমস্যাৰ কথা আছে। Government Lower Primary বা Middle Vernacular স্কুলৰ কাৰণে যি Grant দিয়া হৈছে, সেই Grant ৰ বাবে মই তেখেতক ধন্যবাদ জনাওঁ—কাৰণ যি বিলাক Middle Vernacular স্কুল লোকেলবোৰ্ডৰ হাতত আছে সেই বিলাক চলাবলৈ বোৰ্ডৰ টকা নাই বুলি বোৰ্ডে তাক অনাদৰ কৰিবলৈ বাধ্য হৈছে। সেই কাৰণে গভৰ্ণমেণ্টক মই পুনৰ অনুৰোধ জনাও যে যিবিলাক Middle Vernacular স্কুল এনে অৱস্থাত আছে সেইবিলাকক টনকিয়াল কৰিবৰ বাবে গভৰ্ণমেণ্টে অতি শীঘ্ৰে গভৰ্ণমেণ্টৰ হাতলৈ

আনিবৰ দিহা কৰিব। লগতে Middle Vernacular স্কুলৰ শিক্ষক বিলাকক যি ১০৲ টকা relief grant দিয়া হৈছে আৰু Lower Primary স্কুলৰ শিক্ষক সকলকো যি দিয়া হৈছে তাৰ বাবেও গভৰ্ণমেণ্টক ধন্যবাদ জনাও। কিন্তু দুখৰ বিষয় যে Middle Vernacular স্কুলৰ Lower Primary Sectionৰ শিক্ষক সকলে আজিলৈকে সেই সুবিধা পোৱা নাই। ইয়াৰ ব্যৱস্থা গভৰ্ণমেণ্টে যাতে কৰে এয়ে মোৰ অনুৰোধ।

মাননীয় সভাপতিয়ে মোক শেষ কৰিবলৈ তাগাদা দি আছে। মোৰ কব লগা কথা বহুত আছিল যদিও মই এতিয়াই সামৰণী মাৰিম। কিন্তু তাৰ আগতে মই গভৰ্ণমেণ্টক আৰু এটা অনুৰোধ কৰিব খোজো, এয়ে যে, "যোৰহাট জগন্নাথ বৰুৱা কলেজ" খনৰ কাৰণে যেন গভৰ্ণমেণ্টে সুদৃষ্টি ৰাখে; আৰু তাৰ এক্সিকিউটিভ ইঞ্জিনীয়াৰৰ যিটো বঙলা আৰু মাটি আছে, সেই বঙলা আৰু মাটি কলেজ কৰ্ত্তৃপক্ষক দিয়াৰ ব্যৱস্থা গভৰ্ণমেণ্টে যাতে সোনকালে কৰে, গভৰ্ণমেণ্টৰ ওচৰত যোৰহটীয়া ৰাইজৰ এয়ে দাবী।

**The Hon'ble the SPEAKER:** শ্ৰীযুত হৰিনাৰায়ণ বৰুৱাৰ বহুত সময় লাগিল,—তেখেত বহাহে উচিত।

(At this stage the Hon'ble Speaker vacated the Chair and the Deputy Speaker occupied it).

**Srijut DALBIR SING LOHAR:** মাননীয়া উপাধ্যক্ষা মহোদয়া, ভাৰতবৰ্ষত সাৰ্ব্বভৌম গণতান্ত্ৰিক প্ৰজাতন্ত্ৰ স্থাপন হোৱাৰ পাছত অসম এছেমব্লীৰ এই বাজেট অধিবেশন বহিছে। ভাৰতীয় জাতিয়ে নিজৰ প্ৰতিভা আৰু বৈশিষ্ট অনুসৰি নিজক বিশ্বত প্ৰতিষ্ঠা কৰিবলৈ আজি সম্পূৰ্ণ ভাৱে যি সুযোগ আৰু অধিকাৰ লাভ কৰিছে তাক কামত লগাবলৈ ৰাষ্ট্ৰৰ ফালৰ পৰা যি নেতৃত্ব আৰু কাৰ্য্যকৰী সহায় দিয়া সম্ভৱপৰ, আজিৰ বাজেটত সেই নেতৃত্ব আৰু সহায় দিব পাৰিছেনে নাই তাৰ পৰাই বাজেটৰ কৃতকাৰ্য্যতা আমি জুখি চাব লাগিব। এই বিষয়ে কোনো সন্দেহ নাই যে নানা ভিতৰুৱা বাধা বিঘিনি আৰু বিশেষকৈ পাকিস্থান আৰু ভাৰতৰ সম্পৰ্ক বেয়ালৈ যোৱাৰ ফলত যি পৰিস্থিতিৰ উদ্ভৱ হৈছে তালৈ চাই চৰকাৰে দাঙি ধৰা বাজেটখনে এটা আত্মপ্ৰতিষ্ঠা কৰিব খোজা জাতিৰ আকুল হাবিয়াসৰ আৰু আন্তৰিক চেষ্টাৰ প্ৰমাণ দিছে। একে আষাৰতে কব লাগিলে আজি এটা সঙ্কটৰ মাজেদি আমি যাব লাগিছো। দেশত জৰুৰী অৱস্থাই দেখা দিছে বুলি কব পাৰি। এনে অৱস্থাত দেশৰ সাধাৰণ নিৰাপত্তাৰ দৰে জীৱন-মৰণৰ প্ৰশ্নবিলাক সমাধা কৰিবলৈ সকলো নাগৰিকে একান্ত ভাবে চৰকাৰৰ নেতৃত্বত সজ্ঘবদ্ধ হোৱা কৰ্ত্তব্য। আজিৰ অৱস্থাত আমাৰ প্ৰথম প্ৰশ্ন হৈছে দেশৰ নিৰাপত্তা আৰু স্বাধীনতা ৰক্ষাৰ কথা। দেশৰ সকলো মানুহে অৱস্থাৰ গুৰুত্ব বুজি সৰু-সুৰা কথাবিলাকৰ ওপৰত অযথা বেছি গুৰুত্ব নিদি, দেশৰ বৃহত্তম স্বাৰ্থ আৰু প্ৰয়োজনলৈ সৰ্ব্ব প্ৰথমতে মনোযোগ দিয়া উচিত। সমাজ বিৰোধী বিভেদকাৰী শক্তিবিলাকক মষিমূৰ কৰিবলৈ চৰকাৰে যথোপযুক্ত ব্যৱস্থা লোৱা কৰ্ত্তব্য। আৰু এই শক্তিবিলাকে যি বিপদজনক খেল খেলিছে, সেই সম্পৰ্কে ৰাইজ সচেতন হোৱা উচিত। প্ৰবল জনমত যদি এনে শক্তিবিলাকৰ বিৰুদ্ধে গঢ়ি তোলা নহয় আৰু তেওঁলোকৰ সৰ্ব্বনশীয়া কাৰ্য্যকলাপত যদি বাধা দিয়া নহয় তেন্তে দেশৰ শান্তি আৰু শৃঙ্খলা ৰক্ষা নপৰে। গতিকে নতুনকৈ স্বাধীনতা পোৱা এই দেশখনৰ স্বাধীনতা ৰক্ষা সম্পৰ্কে যাৰ অলপো অনুৰাগ আছে---তেনেলোকে বিভেদকাৰী শক্তিৰ বিৰুদ্ধে এনে জনমত গঢ়ি তোলা একান্ত কৰ্ত্তব্য। আমি যি স্বাধীনতা পাইছো—তাক ৰূপ দিব লাগিলে—স্বাধীনতাৰ ফলত পোৱা ৰাজনৈতিক অধিকাৰ, অৰ্থনৈতিক উন্নতিৰ কাৰণে প্ৰয়োগ কৰিব লাগিলে—দেশৰ অভাৱ অনাটন দূৰ কৰাৰ জোখাৰে উৎপাদন বঢ়াব লাগিলে দেশৰ সকলো মানুহে লগলাগি গঠনমূলক ভাব লৈ কাম কৰিবলৈ ইচ্ছা কৰিব লাগিব আৰু তাৰ কাৰণে দেশৰ শান্তি আৰু শৃঙ্খলা সৰ্ব্ব প্ৰথম স্বত্ব। চৰকাৰৰ কৰ্ত্তব্য এনে শান্তি আৰু শৃঙ্খলা ৰক্ষা কৰাৰ কাৰণে আৱশ্যক মতে কঠোৰ ব্যৱস্থা অৱলম্বন কৰা। যিসকলে পুৰণি মুছলিম লীগৰ মনোভাব লৈ বা পাকিস্থানৰ স্বাৰ্থ মনত লৈ অসমলৈ আহিছে বা অসমত বসবাস কৰিছে—তেওঁলোকৰ কাৰণে অসমত তথা ভাৰতত ঠাই হব নোৱাৰে। চৰকাৰে তেওঁলোকক অতি সোনকালে অবাঞ্ছিত বহিস্কৃত আইন মতে অসমৰ পৰা উলিয়াই দিয়া জৰুৰী হৈ পৰিছে। অসমৰ ভিতৰত আমি এটা পঞ্চম বাহিনী থাকিবলৈ দিব নোৱাৰো। দৃঢ়ভাবে আৰু ক্ষিপ্ৰতাৰে সৈতে চৰকাৰে এই কাম কৰিব লাগে। আমি দেখি আচৰিত হৈছো যে, আগৰ

মুছলিম লীগৰ নেতা সকল—যিসকল এতিয়াও ভাৰতত আছে—তেওঁলোকে পাকিস্থানে কৰা অন্যায়ৰ প্ৰতিবাদ কৰা দূৰৰ কথা তাক পাকে প্ৰকাৰে সমৰ্থন কৰাৰহে চেষ্টা কৰে। আৰু ভাৰতবৰ্ষৰ কোনো ঠাইত কেতিয়াবা পাকিস্থানৰ সংখ্যালঘু সম্প্ৰদায়ৰ ওপৰত অত্যাচাৰৰ প্ৰতিক্ৰিয়া হিচাবে ঘটা ঘটনা সম্পৰ্কে ঢৌটোকে ৰৌটো, ছাঁটোকে বাঘটো দেখি পাকিস্থানে ভাৰতবৰ্ষৰ বিৰুদ্ধে প্ৰচাৰৰ সুৰতে সুৰ মিলোৱা দেখা যায়। এটা কথা নকৈ নোৱাৰি যে সিদিনা বিৰোধী দলৰ নেতা মাননীয় মহম্মদ ছাদুল্লা চাহাবে—তেখেতৰ বক্তৃতা প্ৰসঙ্গত কৈ গৈছে যে, কামৰূপ আৰু গোৱালপাৰাত চাঁওতাল, নেপালী আৰু বড়ো সম্প্ৰদায়ৰ লোকসকলে লুটপাট আৰম্ভ কৰিছে। এই কথাত কিমানদূৰ সত্যতা আছে মই কব নোৱাৰো। কাৰণ যি এটা ঘটনাৰ এতিয়াও অনুসন্ধান হৈয়ে আছে, তাক সম্পূৰ্ণভাবে নজনাকৈ বিৰোধীদলৰ নেতা ডাঙৰীয়াই তেনেভাবে কোৱাটো কিমানদূৰ যুক্তিসঙ্গত হৈছে মই কব নোৱাৰো। তাতে তেখেতৰ এযাৰ কথাত মই বৰ আচৰিত হৈছো যে, তেখেতে কৈছে নেপালী বিলাকো আছে। মই ডাঠি কব পাৰো যে লুটপাটত কোনো নেপালী অৰ্থাৎ গোৰ্খা সম্প্ৰদায়ৰ মানুহ নাই। এই কথাত মই বৰ আচৰিত হৈছো যে, বিৰোধীদলৰ নেতা ডাঙৰীয়াই সিদিনা তেখেতৰ বক্তৃতা প্ৰসঙ্গত মাত্ৰ নেপালী, চাওঁতাল আৰু বড়ো জাতিয়ে লুটপাট কৰাৰ কথাকেহে কলে। কিন্তু তেখেতৰ মুখত ঘটি যোৱা অতি সত্যকথা-খিনি নোলাল যে, শ্বিলঙৰ ওচৰতে প্ৰায় ৩৫।৪০ মাইল দূৰত পাকিস্থানত সংখ্যালঘু সম্প্ৰদায়ৰ লোকসকলৰ ওপৰত যি অমানুষিক অত্যাচাৰ আৰম্ভ হৈছিল বা হৈছে আৰু যাৰ ফলত সংখ্যালঘু সম্প্ৰদায়ৰ লোকসকলে বনৰীয়া পশুৰ দৰে পলাই মাত্ৰ পৈত্ৰিক প্ৰাণটোহে লৈ হাজাৰে হাজাৰে আহি অসমত ভৰি পৰিছে ; সেই কথা তেখেতে জানিও নোকোৱাত বা নজনা হোৱাত মই বৰ আচৰিত হৈছো। বিৰোধীদলৰ নেতাই এই লোকসকলক কেতিয়াবা দেখা কৰি তেখেতসকলৰ অৱস্থাৰ কথা নেতা ডাঙৰীয়াই সুধি চাই ছিলনে ? সেই লোকসকল ইয়ালৈ কি অৱস্থাত আহিছে তাৰ বিষয়ে তেখেতে কিবা সন্ধান লৈছিল নে ? সেইদিনা তেখেতৰ বক্তৃতা প্ৰসঙ্গত যদি পাকিস্থানত সংখ্যালঘু সম্প্ৰদায়ৰ প্ৰতি কৰা অত্যাচাৰৰ বিষয়েও কলে হেঁতেন তেন্তে তেখেতক আমি অভিনন্দন জনালো হয়। দুখৰ বিষয় সেই বিষয়ে তেখেতে এষাৰ মাতো নামাতিলে। এই বিষয়ে বহলাই আৰু কবৰ মোৰ ইচ্ছা নাই।

মাননীয়া উপাধ্যক্ষা মহোদয়া, ভাৰতবৰ্ষত বা অসম দেশত অসম চৰকাৰে, য'ত যেতিয়া সংখ্যা-লঘু সম্প্ৰদায় বিপদত পৰিছে বা বিপদত পৰাৰ আশঙ্কা হৈছে—সেই কথা নিৰ্ভিক ভাবে—যেনে ভাবে ঘটিছে ঠিক তেনে ভাবেই আৰু যিমান ঘটিছে—ঘোল অনাই স্বীকাৰ কৰি লৈছে আৰু তাৰ প্ৰতিকাৰৰ চেষ্টা কৰিছে। ধৰ্ম্ম-নিৰপেক্ষ ৰাষ্ট্ৰ হিচাবে আৰু যি মহান আদৰ্শৰ কাৰণে, মহামানৱ মহাত্মা গান্ধীয়ে প্ৰাণ উচগা কৰি গল—সেই আদৰ্শৰ গৌৰৱ ৰক্ষা কৰিবলৈ ভাৰত আৰু অসম চৰকাৰ আৰু কংগ্ৰেছৰ কৰ্ম্মী সকলে যে আপ্ৰাণ চেষ্টা কৰিছে—তাক কোনেও নুই কৰিব নোৱাৰে। এনে অৱস্থাতো মুছলিম লীগ বা পাকিস্থানী মনোভাব পোষণ কৰাটো এটা অতি মাৰাত্মক কথা। এই মনোবৃত্তিৰ লোক সকলে নিজেই ভাৰতবৰ্ষ এৰি আঁতৰি যোৱা উচিত। যি ৰাষ্ট্ৰৰ প্ৰতি আন্তৰিকতাৰে সৈতে অনুগত্য ৰাখিব নোৱাৰে—সেই ৰাষ্ট্ৰত ৰসবাস কৰি তাৰ সকলো সুবিধা ভোগকৰিবলৈ আশাকৰাটো বিড়ম্বনা মাথোন। অসম চৰকাৰৰ উপস্থিত কৰ্ত্তব্য হৈছে—এনে অবাঞ্চিত লোকসকলক অলপো বিলম্ব নকৰি শৃঙ্খলাৰে সৈতে অসমৰ তথা ভাৰতৰ চাৰিসীমাৰ বাহিৰলৈ পঠোৱাৰ ব্যৱস্থা কৰা। ইয়াতকৈ জৰুৰী কাম বৰ্ত্তমান অৱস্থাত আন একো হব নোৱাৰে! ইয়াৰ লগতে মই ইয়াকো কব খোজো যে—চৰকাৰৰ এই কামত ব্যাঘাত জন্মাবৰ হাবিয়াস নহলে বা অভিসন্ধি নেথাকিলে অসমৰ সকলো ৰাইজৰ মাজত সাম্প্ৰদায়িক ঐক্য আৰু আভ্যন্তৰিণ শান্তি ৰক্ষা কৰা উচিত—বিশেষকৈ এই সঙ্কটাৱস্থাত ইয়াৰ প্ৰয়োজন বৰ বেচি হৈছে। অসমৰ ৰাইজে উপলব্ধি কৰিব পাৰিব লাগিব যে বৰ্ত্তমান সময়ত অসমৰ ভিতৰত যেই কোনো ৰকমৰ অশান্তি সৃষ্টি কৰাটো অসমৰ কাৰণে বিপদ জনক। ভিতৰুৱা অশান্তিৰ সুযোগ লৈ—অসমৰ নিৰপত্তা ক্ষুন্ন কৰিবলৈ কোনো বিদেশী শক্তিয়ে বা বিদেশী শক্তিৰ সহায় বা সমৰ্থনত পৰিপুষ্ট বিভেদকাৰী দল সমূহে সুযোগ লব পাৰে। অসমত জনসমস্যাৰ যি জটিলতা আছে—তালৈ চাই অসমত সম্প্ৰদায়িক মনোভাৱ এবাৰ যদি দেখা দিয়ে—আৰু সেই ভাব লৈ হিংসা প্ৰণালীত যদি কাম আৰম্ভ কৰা হয় তেন্তে তাৰ পৰিণাম কি আৰু অন্ত কত—কোনেও আজি কব নোৱাৰে। সিয়ে আমাৰ জাতীয় জীৱনৰ ঐক্যতা সম্পূৰ্ণ ছিন্ন কৰি অসমীয়া জাতিক পথহাৰা কৰাৰ—তাত

অলপো সন্দেহ নাই। এইটো সকলোৱে স্বীকাৰ কৰিব লাগিব যে আজিৰ পৰিস্থিতিত পাকিস্থানে যেনেকৈ অসমৰ মাল বস্তু অনা নিয়া কাৰ্য্যত বাধাৰ সৃষ্টি কৰিছে—তালৈ চাই কেৱল অৰ্থনৈতিক কাৰণতেই নহয় ৰাজনৈতিক আৰু সামৰিক কাৰণতো খাদ্যবস্তু আৰু আন আন লাগতিয়াল কিছুমান শিল্পজাত বস্তুত অতি সোনকালে অসম স্বাৱলম্বী হোৱা একান্ত প্ৰয়োজনীয়। অকল নীতি আৰু আদৰ্শৰ ফালৰ পৰাই নহয়—বাস্তৱ অৱস্থাৰ এই অপৰিহাৰ্য্য প্ৰয়োজনলৈ লক্ষ ৰাখিলে অসমৰ মানুহৰ পক্ষে উত্তেজনাৰ কাৰণ ঘটিলেও—ধীৰ স্থিৰ ভাবে—সকলো অৱস্থাতে আইন, শৃঙ্খলা আৰু শান্তি ৰক্ষা কৰা উচিত।

বাজেট আলোচনা প্ৰসঙ্গত ইয়াৰ পাছতে মই আমাৰ চাহ বাগিছাৰ বনুৱা সকলৰ কেইটামান জৰুৰী প্ৰশ্নৰ সম্পৰ্কে চৰকাৰৰ মনোযোগ আকৰ্ষণ কৰিব খোজো। আমি বৰ দুখেৰে সৈতে কবলগীয়া হৈছো যে চাহ বাগিছাৰ বনুৱা আৰু কৰ্ম্মচাৰী সকলৰ ঘৰৰ অৱস্থা ভাল কৰিবলৈ চাহ মালিক সকলে আজিকোপতি কোনো আন্তৰিক চেষ্টা কৰা নাই। বহুতো বাগিছাতে বনুৱা সকলৰ ঘৰৰ সংখ্যা আৰু আয়তন ইমান নিম্নস্তৰৰ যে ই মানুহৰ বসতিৰ উপযোগা নহয় বুলিলেও বঢ়াই কোৱা নহয়। আমি চকুৰ আগতে দেখি আছো যে ঘৰ সজাৰ সঁজুলিৰ অভাব বুলি অজুহাত দেখুৱালেও মেনেজাৰ সকলৰ ডাঙৰ ডাঙৰ বঙলা সজা হৈয়ে আছে। বনুৱাৰ ঘৰৰ প্ৰশ্নটো এটা অতি জৰুৰী বিষয় বুলি ধৰি মালিক সকলে যাতে এটা নিৰ্দ্ধাৰিত সময়ৰ ভিতৰত ঘৰৰ পৰিকল্পনা কাৰ্য্যত পৰিণত কৰে সেই উদ্দেশ্যে যথোপযুক্ত ব্যৱস্থা হাতত লবলৈ মালিক সকলক চৰকাৰে বাধ্য কৰিব লাগে। কিছুমান বাগিছাত এটা অতি অন্যায় আৰু বেআইনী কাম চলি আছে। বনুৱা সকলে আজৰি সময়ত নিজ পৰিশ্ৰমেৰে খেতি কৰি যি ধান পায়, সেই ধান বা তাৰ কোনো অংশ, বাগিছাত, সেই বনুৱাই কৰা কামৰ কাৰণে, ৰেহাই মূল্যত পাবলগীয়া ধান চাউলৰ সলনি মাৰি লোৱা হয়। নিজে খেতি কৰি বনুৱাই যি ধান পায় সেইটো তেওঁৰ উপকৰা উপাৰ্জ্জন। বনুৱাই বাগিছাত কাম কৰি যি দৰ্ম্মহা বা চাউল ধান পাব লাগে তেওঁৰ সেই উপকৰা উপাৰ্জ্জনৰ পৰা সেইটো মাৰি দিয়াৰ কোনো অৰ্থ হব নোৱাৰে। ইয়াৰ পৰা এয়ে অৰ্থ হয় যে বাগিছাত কৰা কামৰ কাৰণে বনুৱাই পাব লগা দৰ্ম্মহা বাগিছাৰ পুঁজিৰ পৰা নিদি বনুৱাৰ বাহিৰা উপাৰ্জ্জনৰ পৰাই বনুৱাক দিয়াৰ দৰে হৈছে।

বনুৱাই বাগিছাত কাম কৰা কাৰণে তেওঁলোকে ৰেহাই দামত পাবলগীয়া ধান চাউল কোনো কাৰণে কটা উচিত নহয় বুলি বনুৱা সকলে জনোৱা দাবি সম্পূৰ্ণ যুক্তিসঙ্গত। মই চৰকাৰক অনুৰোধ কৰো যে, এনে ভাবে যিবিলাক বাগিছাত খেতিয়ক বনুৱাই তেওঁৰ খেতিৰ ধানত মাৰি লোৱা কাৰণে তেওঁ বাগিছাত কৰা কামৰ বাবদ পাবলগীয়া যি ধান চাউলৰ পৰা বঞ্চিত হৈ আছে সেই খিনি যাতে বনুৱাই পাই চৰকাৰে অবিলম্বে যেন তাৰ দিহা কৰে। তৃতীয়তে, বাগিছাৰ স্কুল বিলাক চৰকাৰৰ শিক্ষা বিভাগৰ পৰা পৰিদৰ্শন আদি কৰাৰ ব্যৱস্থা কৰিব লাগে। যি বিলাক বাগিছাত স্কুল এতিয়াও খোলা হোৱা নাই সেই বিলাক বাগিছাৰ স্কুল খোলাৰ কাৰণে চৰকাৰে বাগিছাৰ মালিক সকলৰ মনোযোগ আকৰ্ষণ কৰে যেন। চাহ শিল্পৰ বহুতো মালিকে বৰ্ত্তমান এনে এটা ভাব দেখুৱাই বা প্ৰচাৰ কৰে যে বনুৱা আৰু কৰ্ম্মচাৰী সকলক তেওঁলোকে যথেষ্ট দিছে আৰু তাতকৈ বেচি দিলে শিল্পটো টিকি থকাই টান হব। কিন্তু ওপৰে ওপৰে চালেও দেখা যায় যে অনুপাত হিচাবে এজেন্সী হাউচত, আৰু ওপৰৰ দুই এজন কৰ্ম্মচাৰীৰ কাৰণে অযুক্তিকৰ ভাৱে যি অতিৰিক্ত খৰছ কৰা হয় তাৰে সমাজৰ অতি তলৰ খাপত পৰি থকা বনুৱা শ্ৰেণীৰ সমাজিক আৰু সংস্কৃতিক জীৱনৰ উন্নতি মূলক কিছু কাম নিশ্চয় হব পাৰে। ওপৰৰ গধুৰ খৰচ কমালে আৰু অত্যাধিক লাভৰ আশা নকৰিলে, বনুৱা আৰু আন কৰ্ম্মচাৰী সকলক এতিয়াতকৈ বেচি সুবিধা দিলেও নিশ্চয় চাহ শিল্পৰ কোনো অনিষ্ট হব নোৱাৰে।

আমি অতি দুখেৰে সৈতে লক্ষ্য কৰিছো যে কিছুমান ভাৰতীয় চাহ বাগিছাৰ কৰ্ম্মচাৰী সকলৰ প্ৰতি দৰ্ম্মহা আদি বিষয়ত ঘোৰ অন্যায় কৰা হৈছে। এনে বাগিছাৰ মালিক সকলে মধ্যযুগীয় মনোভাবেৰে কৰ্ম্মচাৰী সকলৰ ন্যায্য দাবী উপেক্ষা কৰি আহিছে। এই প্ৰশ্ন মীমাংসা কৰিবলৈ কাৰ্য্যকৰী এটা ব্যৱস্থা চৰকাৰে যেন হাতত লয়। এই প্ৰসঙ্গতে মই কব খোজো যে বনুৱা আৰু কৰ্ম্মচাৰী সকলৰ যুক্তি যুক্ত দাবি যাতে খাম খেয়ালি ভাবে কোনেও উলঙ্ঘ কৰিব নোৱাৰে তাৰ বাবে আইন প্ৰণয়ন কৰা বিশেষ প্ৰয়োজনীয় হৈ উঠিছে।

চাহ বাগিছাত কাম কৰা ফিটাৰ মিস্ত্ৰী ড্ৰাইভাৰ আদি টেকনিকেল ষ্টাফৰ আৰু শিক্ষক সকলৰ "পেস্কেল" আন কৰ্ম্মচাৰীৰ নিৰিখে নোহাৰাটো অতি পৰিতাপৰ বিষয় হৈছে। ভাৰতীয় চাহ সঙ্ঘৰ অসম শাখাই (A.B.I.T.A.) এই বিষয়তো মীমাংসা কৰিব বুলি হাতত লোৱাও বহুত দিন হল, কিন্তু তেওঁলোক এতিয়াও কোনো এটা শেষ সিদ্ধান্তলৈ অহা নাই। মই আশা কৰো চৰকাৰে যেন এই বিষয়ে এটা সুমীমাংসা কৰিবৰ দিহা কৰে। ইয়াৰ লগতে মই পৰামৰ্শ দিব খোজো যে এখন ত্ৰিদলীয় সম্মিলন সোনকালে আহ্বান কৰি আৰু অসমৰ চাহ শিল্পৰ মালিক, কৰ্ম্মচাৰী আৰু বনুৱাৰ মাজত যি কেইটা প্ৰশ্নই দেখা দিছে সেই কেইটা আলোচনা কৰি যাতে এটা মীমাংসালৈ আহিব পৰা যায়, তাৰ যেন ব্যৱস্থা কৰে।

মাননীয়া উপাধ্যক্ষ্য মহোদয়া, শেষত মই মোৰ জিলাৰ বিষয়ে দুআষাৰ মান কৈ সামৰণী মাৰিব খোজো, মই অতি দুখেৰে জনাব লগাত পৰিছো যে, চৰকাৰৰ তলতীয়া কৰ্ম্মচাৰী সকলে জনপ্ৰিয় কংগ্ৰেছ চৰকাৰে যি উৎসাহ আৰু আগ্ৰহেৰে জনসাধাৰণৰ উপকাৰৰ কাৰণে, যি বিলাক কাম হাতত লৈছে—যথা অধিক শস্য উৎপাদনৰ নিমিত্তে ফাৰ্মিং কো-অপাৰেটিভ ইত্যাদি লৈছে তাত কৰ্ম্মচাৰী সকলৰ অৱহেলাই দেখা নাযায় আনকি বহুত ক্ষেত্ৰত বিপক্ষে যোৱাও প্ৰমাণ পোৱা যায়। ওপৰোক্ত কথাখিনি আমাৰ লক্ষীমপুৰ জিলাৰ দুই এজন কৰ্ম্মচাৰীৰ গাতে খাটে। ইয়াৰ বাবে মই জনপ্ৰিয় চৰকাৰৰ তীক্ষ্ণ দৃষ্টি আকৰ্ষণ কৰিলো।

ডিব্ৰুগড় অঞ্চলত অৰাজকতাৰ ভাৱ কিছুমান শ্ৰেণীৰ মানুহৰ ভিতৰত পৰি-লক্ষিত হৈছে। গাখীৰ যোগান দিবলৈ যি বিলাক চৰনীয়া পথাৰ ৰখা হৈছে তাত কোনো আইনলৈ ভ্ৰূক্ষেপ নকৰি কিছুমান সমাজ বিৰোধী লোকে বে-দখল কৰি শান্তি ভঙ্গৰ চেষ্টা কৰিছে। স্থানীয় কতৃপক্ষই সেই কাৰ্য্য বন্ধ কৰিবলৈ যিমান তৎপৰ হোৱা আৱশ্যক সিমান তৎপৰ হোৱা দেখা নাযায়, বহুত ক্ষেত্ৰত দেখা যায় যে স্থানীয় কতৃপক্ষই নিমাখিত লোকৰ ওপৰত কঠোৰতাৰে গ্ৰেজিং আইন প্ৰয়োগ কৰে, যি বিলাক ধনী আৰু গাৰ বল প্ৰয়োগ কৰি ভয় দেখুৱাই তেনে লোকৰ প্ৰতি গ্ৰেজিং আইন প্ৰয়োগ কৰিবলৈ অসমৰ্থ হয়। তাৰ প্ৰমাণ বহুতো আছে। টিপলিং মৌজাৰ ভিতৰত গ্ৰেজিং আইন প্ৰয়োগ কৰি প্ৰস্তাৱিত গ্ৰেজিংৰ পৰা নিমাখিত গোঁখা আৰু ফাল্টু বনুৱা সকলৰ যি হানি কৰিছে তাক বহলাই কোৱাৰ প্ৰয়োজন নকৰে। আইনৰ আগত সুখী, দুখী, ধনী, নিৰ্ধনী, বলী দুৰ্ব্বলীৰ কোনো প্ৰভেদ থাকিব নালাগে। জনপ্ৰিয় চৰকাৰে অনুসন্ধান কৰি চালে দেখিব যে, কিছুমান নিমাখিত লোকক স্থানীয় মণ্ডল-কানুনগো আদিয়ে প্ৰলোভনৰ বশৱৰ্ত্তী হৈ কিছুমান চৰকাৰী মাটি লব পাৰে বুলি দেখুৱাই দি বহিবলৈ দিয়া বহুতো প্ৰমাণ পোৱা যায়। এই বিষয়ে চৰকাৰে অতি সোনকালে অনুসন্ধান কৰি এই কৰ্ম্মচাৰী সকলৰ ওপৰত কঠোৰ ব্যৱস্থা লবলৈ মই টানি অনুৰোধ কৰো। অসম চৰকাৰৰ গৰকাপ্তানী বিভাগৰ পৰিকল্পনাৰ ভিতৰত ঘাই ট্ৰাঙ্কৰোড কিটাৰে আৱশ্যক বেছি। দক্ষিন ট্ৰাঙ্কৰোডটো ছেখোৱাৰ পৰা গোৱালপাৰালৈকে হোৱাত যাতায়ত আৰু বেহা বেপাৰৰ সুবিধা হৈছে। কিন্তু সেই দৰে উত্তৰ ট্ৰাঙ্কৰোডটোৰ কাম সম্পূণ হোৱা হলে উত্তৰ ফালে যিখিনি গাওঁ আৰু নগৰ আছে সকলোৰে সুবিধা হলহেতেন। মই বৰ দুখেৰে জনাওঁ যে, উত্তৰলক্ষীমপুৰৰ পৰা ডিব্ৰুগড়ৰ সোনাৰি ঘাটলৈ যি খিনি আলি আছে তাক গৰকাপ্তানী বিভাগে একেবাৰে অবহেলা কৰিছে। যাৰ কাৰণে আলিৰ অসুবিধাত ডিব্ৰুগড় আৰু উত্তৰ লক্ষীমপুৰৰ মাজত থকা ১০।১৫ টা মৌজাৰ মানুহে হাৰক মাটি, তেজক পানী কৰি অৰ্জ্জা ধান, মাটিমাহ, সৰিয়হকে আদি কৰি কৃষিজাত বস্তুৰ উচিত দাম নাপায়। কবলৈ অতি দুখ লাগে যে, উত্তৰ লক্ষীমপুৰৰ পৰা ডিব্ৰুগড়লৈ উত্তৰ পাৰে যিটো আলি আছে তাত মাটি তোলা আৰু মাজে মাজে কাঠৰ দলং আছে, আৰু মৰিধল ঘাটৰ পৰা ধেমাজি আৰু কুমটিয়া ঘাটলৈ ১৩ মাইল আলি যেৰামতি পৰ্য্যন্ত নকৰাত ধেমাজি মৌজাৰ প্ৰায় ২০।২৫ হাজাৰ খেতিয়ক প্ৰজাৰ দুখৰ সীমা নোহোৱা হৈছে। মই বিশ্বস্তসূত্ৰে জানিব পাৰিছো যে, মৰিধলৰ পৰা ধেমাজিলৈ অহা যোৱা দুৰ্গম হৈ পৰিছে। ইফালে ধেমাজিত আগন্তুক খেতিৰ সময়ত গৰুৰ বেমাৰ হৈ প্ৰজা আতঙ্কিত। আলিৰ অভাৱত গৰুৰ ডাক্তৰৰ সহায় পাবলৈও টান হছে। আশা কৰো জনপ্ৰিয় চৰকাৰে এই বিষয়ে তৎক্ষণাৎ কাৰ্য্য হাতত লৈ প্ৰজাক অভয় দিয়ে। সি দিনা মাত্ৰ মন্ত্ৰী মহোদয় সকলৰ পৰা শুনিলো যে বদতিঘাট অৰ্থাৎ উত্তৰ পাৰৰ ধানৰ ভৰালৰ পৰা ডিব্ৰুগড়লৈ অৰ্থাৎ যত ধানৰ আকাল

তালৈ ধান আনিবলৈ ২০ দিন লাগে। আৰু গোটেই উত্তৰ পাৰকে যেনে লক্ষীমপুৰ, তেজপুৰ, মঙ্গলদৈ আদি ঠাইত ডিগবৈৰ পৰা কেৰাচিন তেল যাবলৈ ২০।২৫ দিন লাগে। যান বাহনৰ এই অসুবিধাৰ পৰা ডিব্ৰুগড়ৰ লোক সকলে অতি সুলভে পাব পৰা ধানৰ পৰা সদায় বঞ্চিত হৈ আছে, আৰু ইফালে উত্তৰ পাৰৰ গোটেই গাওঁ আৰু নগৰৰ মানুহে যান বাহনৰ অসুবিধাত যথেষ্ট কষ্ট পাইছে। উত্তৰ পাৰত কম পক্ষেও ২০।২৫ লক্ষ্য মানুহে বসবাস কৰে। উত্তৰ পাৰৰ ট্ৰাঙ্কৰোডটো মটৰ লড়ি আদি যাতায়াতৰ সুবিধা কৰিলেহে ২০ দিনৰ ঠাইত ২৪ ঘণ্টাৰ ভিতৰত অহাযোৱা কৰি এফালে ধানৰ অভাৱ আৰু আন ফালে গোটেই উত্তৰ পাৰে কেৰাচিন তেলৰ অভাৱ সহজে মিটাব পাৰে। আশা কৰো অসম চৰকাৰে বৰ্ত্তমান অৰ্থ সঙ্কটৰ দিনটো সৰহ সংখ্যক লোকৰ সুবিধাৰ বাবে অচিৰে এই উত্তৰ ট্ৰাঙ্কৰোডটোৰ কাৰ্য্য হাতত লৈ, আন নহলেও কাঠৰ দলং আদি আৰু মাটিৰ কাম কৰি খৰালি দিনৰ কাৰণে যান-বাহনৰ সুবিধা কৰি দিয়ে। মই আজি ইমানকে কৈ বিও মন্ত্ৰী ডাঙৰীয়াক অভিনন্দন জনাই সামৰণী মাৰিলো।— জয়ভাৰত।—জয় হিন্দ।

**Srijut NILMANI PHOOKAN** : Madam, in the words of His Excellency the Governor we are now a State, a component unit of the Sovereign Domocratic Republic of India. As such, the province of Assam has it must be said, attained the status of State-hood, and, therefore, it is necessary that we, as citizens, must understand from the very beginning what the significance of this State-hood may be. So long we lived in this part of the country as different communities with different ideologies, different objectives and often with clashes of interests. All these things must go if we really mean that we are members of the Great Republic, and as citizens of that Republic we have one undivided duty towards that Republic as well as towards the States which comprise the Republic. Therefore our whole outlook must radically be changed now. We cannot solve our problems piecemeal. We must think of ourselves as citizens of India or citizens of this State or that State. Can we at the same time keep our group-self and group-sense and group-sentiments in tact in our everyday transactions of life ? At the outset we must be very clear on this point as to what should be the objective of our State life and what should be the procedure to attain that objective and what will be the real definition of citizenship, though it has been given in the Constitution, and how the citizenship should to a great extent be modified according to the needs of a particular State. In that light I should now throw my observations in connection with the Budget Discussion.

I have nothing to discuss regarding the financial aspects of the Budget. The able Finance Minister has already elaborately dealt with all the aspects of the Budget, and I am glad to note that he has not spared the Centre this time. Possibly he has used stronger language than I generally used to do in this connection I have always clearly said that beggars have no choice and that beggars cannot run a State. So, I do not want to approach the Centre with a begging bowl. I simply want to tell the National Government just at this moment that the foreign Government had exploited Assam right and left throughout their rule of nearly 100 years, and after exploitation of the resources of this State in tea, oil, coal and other natural things they amassed vast wealth not only in their home country but also in the vaults of Delhi and Simla where they accumulated all the wealth taken from the State. Can anybody say well of such a Government who took 6, 7, 8 or 9 crores of rupees by way of excise and other duties from this State leaving her to eke out a living, so to say, with a few crores only ? If this state of things continue even now at the hands of our National Government, certainly we cannot forgive them for strangling us to death or making us starve at every stage. So this must be plainly understood that whatever be our revenue almost double of that has been taken away by the Centre in terms of excise duty, petrol duty, this duty and that duty.

But whatever that may be, the past injustice done to us should be appreciated by the present National Government I need not recapitulate the black history of all this injustice that has been meted out to us since 1921. The black pages of our Council proceedings will show how light-heartedly we have been treated in those days by the then Central Government and the Provincial Government, how irresponsible they were. The Provincial Government could not even substantiate their grievances before the Niemeyer Committee. So, we, the people of Assam, are not to be blamed for all these. If we charge anybody we charge our past Government who almost committed a treason against the nation by leaving us in a helpless state, always dependent upon the sweet-will of the Centre. And I must say, with all respect to the Centre, that we have not been represented in the Central Cabinet (only recently we have got representation in the non-official Cabinet). This is our greatest drawback We have nobody to speak with authority regarding the needs of our State. I do not believe that Assam cannot find a man to sit in the Cabinet, to put the case of Assam properly before the Centre. I therefore suggest that we must claim a seat in the Central Government. Unless, that is done there will be no remedy We may lament years in and years out in this Hall, but nobody will respect a beggar far less a Government. This is in the way of financial relations. To my mind, we must settle once for all the ratio which the Central must give us from all heads of revenue which they derive from this State.

Take for instance, income-tax. We have been deprived of substantial part of it for 25 years. Our tea planters are used to pay their income-tax in their Calcutta Agency Office. This is given in their Calcutta Agency to benefit the Bengal Government to derive its share from the Centre. They give the ben fiit to be derived by thier Calcutta Agency sitting in cosyeasy-chairs, whereas they earn to give the income-tax from our tea-gardens.

Take the case of Jute Duty. While Bengal got 64 per cent. of it because their presence in the Centre could be felt by their voice, while for want of such a voice in the Centre we have gone by default. This state of affairs cannot be allowed to continue any longer. It should not be allowed to continue. We must tell frankly the Centre that we must have as much finance as to enable us to rehabilitate. Again, this is a strategic State, which has been admitted by the Centre. If Assam goes half of India goes all at once. This State should not be neglected any more, because it is far away from Delhi, because our voice cannot reach them But our voice must reach them and must be heard by them.

Then, I come to the question of Statehood of Assam. What is the meaning of this State ? Why different States have been created under this Republic ? It might have been a Unitary State Government. Then it was decided that India consisted of different peoples with different culture, history, tradition and linguistic tendencies. In spite of all that, they are all one Indian people. It is the Indian culture which made all these peoples as one nation But, they will never lose their separate identity in their political objective. Therefore, it was decided that every State which has got a tradition, culture, history of its own behind them must form into one Unit. If that be the case we have formed into a Unit. Then what is the basis of this Unit ? Certainly, it is history, culture, tradition, customs, language, etc. All these things taken together have formed this great Assamese Nation, which is the basis of a State and this Assamese Nation is not one creed, caste or race ; it is a Unique Nation which can count hundreds of people mingling together—the brethren from the Hills and Plains, Aryans, Non-Aryans, who form this inexplicable Assamese Nation.

I am surprised when I hear that some people say—what is the Assamese Nation when there are Bengalees, Beharies, Punjabies and others living in Assam in large numbers everywhere how can Assam be called for Assamese ? It is a mistake to think that these different peoples cannot contribute their culture for

the enrichment of our Assamese culture. It is the absorption of other peoples' culture which can make a vigorous Nation. I think, Government should decide once for all, what is the basis of Assamese Nation.

**The DEPUTY SPEAKER**: Although you are making an interesting speech, but I must say that your time is up.

**Srijut NILMANI PHOOKAN**: I was promised 20 minutes by the Hon'ble Speaker, and Srijut Harinarayan Barua usurped without putting his name in the list.

**The DEPUTY SPEAKER**: I am giving you another 5 minutes, in which you should finish your speech.

**Srijut NILMANI PHOOKAN**: I will cut short, Madam.

Then on the question of landless people of Assam, Government has already prepared a census of landless—I do not know what is the figure. But it has been promised to the landless people of this country to find out fallow lands, either Government waste land or land lying waste in the neighbourhood in tea gardens, etc. Our landless people must be provided with economic holdings. Otherwise, the Adhiar Act will not serve the purpose. If we want to remove the Communist menace then Government must see to parcel out lands to these landless people immediately.

As regards tea garden lands, I am sorry to say that it has not been as yet properly censused. Although, I know of Titabar Mouza, the Sub-Deputy Collector of which has been taken to task without reason by one hon. Member, where good progress is done in this regard. I must admit that Government is very eager to provide land to the landless but it should see that this work is properly carried out. Landless people, flood-affected people, and other needy people should be provided with land.

Then there is the question of evacuees. Cooch-Behar has been given to Bengal without taking the verdict of the people there and although 90 per cent. of its inhabitants were not eager to be attached to Bengal. When Cooch-Behar has been given in order to settle the evacuees, all or majority of the evacuees coming to Assam should be taken there, although we are prepared to give them temporary shelter on humanitarian grounds. But this cannot be in all cases on a permanent basis. They also cannot have mere claim for permanent settlement immediately in this State, under the present Constitution.

Regarding Pakistan and Hindusthan ideologies, Pakistan will always create trouble so long it claims to be an Islamic State and Hindus in Pakistan cannot be expected to be safe. Therefore, it is the duty of our Central Government to settle with Pakistan this question of the Hindus in Pakistan or rather minority Committee of a different faith there, as it has been done in the Secular State of India. That is the only solution or parcel out a portion of the lands of Pakistan towards West Bengal where the Hindu population may be placed and Muslim population might be exchanged to Dacca side. Instead of doing so, what is the use of creating troubles here in Assam by the Pakistani ideology? I am sorry to say that my distinguished Friend and the Leader of the Opposition had very light-heartedly dealt with this subject in connection with some other questions in this House. People Like me and the people in general have even now regard him as the same 'Sir Saadulla' when he is speaking.

**The DEPUTY SPEAKER**: The hon. Member's time is over. No doubt the hon. Member is delivering a very good speech on a very interesting topic.

**Srijut SARAT CHANDRA SINHA:** Madam, his speech is so interesting, I am ready to give him five minutes' time from my scheduled time.

**Dr. EMRAN HUSAIN CHAUDHURY:** Madam, I am also ready to give him two minutes' time.

**The DEPUTY SPEAKER:** Order, Order, I cannot allow this. If it is allowed, we cannot do justice to other hon. Members of the House. The hon. Member may take his seat.

**Srijut NILMANI PHOOKAN:** Madam, I have been allowed time by my hon. Friends, and I will take only a few minutes' time.

**The DEPUTY SPEAKER:** No I cannot allow. I request the hon. Member to take his seat.

**Mr. BINODE KUMAR J. SARWAN:** Deputy Speaker, Madam, the Budget for 1950-51 as presented by the Finance Minister before this House cannot satisfy the general mass people. Most of our people in Assam are miserably poor and as there has been a great crisis of food-stuff and other commodities, it is the first duty of the Government to solve this problem before taking up big schemes. However much the Government does for other schemes, no matter they are good by themselves, the prices of food-stuffs and other commodities should be brought down by this Government. Here, I should bring to the notice of this House that had not the Indian Tea Association seen the dreadful need of providing food and clothing to the tea garden labourers during this great crisis of food and cloth they could not have managed to keep on going their Tea industry. This Government should have followed their good schemes. For my part, I strongly suggest that this Government should throw open some portions of Private Grazing Reserves and Forest Reserve lands for growing more paddy and other cultivation, and not try to reforest the existing non-Cadastral lands at such a time of food shortage—such a scheme would be little short of sabotaging grow more food efforts.

The next thing, though not important, I would like to point out to the Government that the general mass people have contributed to the Textile Co-operative Stores Rs.6 as deposit money for their supply of cloth etc., and with this money and by profit of this business, Secretaries and the salesmen of the Co-operative Stores are still being remunerated, though the Textile Co-operative Stores are not working now as before. When they are not able to bring profit by this business, but loss only by their expenditure on remuneration to the Secretaries and salesmen, the deposit money of the public should be refunded, without delay, otherwise the money of the poor people will be lost. The next thing which I would like to say that the Government should pay special attention to the schooling and education of the children of the large Tea plantation population. This is not the job of the Tea industry, but the job of the State. The Government are always talking about Excise and Export duties on Tea, but they are never thinking of benefiting the labourers, who manufacture the tea. How can this neglect and indifference of the Government be described ? We do not want crocodile's tears, but benefits from a free Government of a free people, and Education is a State business.

The Government are thinking of requisitioning or acquiring portions of tea grant lands. What plan have the Government got to find land for the production of food for tea garden and *ex*-tea garden labourers by themselves. Labourers are workers and not parasites. They will work and produce their own food and clothing, with such assistance, as is the bounden duty of the Government to give.

To cut short my speech, I must lastly state that the Government have been spending peoples' money carelessly. I understand, the Government had some two years ago a grant of Rs.6 crores from the Centre. How did the Government spend that money ? Have they given a proper and thorough account of that money ?

Madam, the deficit shown in the Budget is most disappointing.

With these few words, Madam, I resume my seat.

**Srijut CHANOO KHARIA :** মাননীয়া উপাধ্যক্ষা মহাশয়া, আজি বাজেট আলোচনা প্ৰসঙ্গত দুআষাৰ মান কৰলৈ আগবাঢ়িলো। মাননীয় বিত্তমন্ত্ৰী ডাঙৰীয়াই ডাঙিধৰা বাৰ্ষিক আয় ব্যয়ৰ হিচাবত পুৰনি আৰু নতুন ভালেমান আৱশ্যকীয় বিষয় চকুত পৰিছে। কিন্তু এটি বিষয়, যিটো বিষয়ৰ কাৰণে যোৱা চাৰি বছৰ চৰকাৰৰ দৃষ্টি আকৰ্ষণ কৰিও মনোযোগ দিয়া নেদেখিলো সেইটো হৈছে চাহবাগিছাৰ বনুৱা লৰা-ছোৱালীৰ শিক্ষা। আজিলৈকো সকলো বাগিছাত স্কুল হৈ নুঠিল। যি বিলাক স্কুল আছে তাৰো পৰিদশনৰ কোনো ব্যৱস্থা নাই। প্ৰত্যেক বাগিছাত স্কুল পতা ও সেই বিলাকৰ ভাল পৰিদশনৰ ব্যৱস্থা কৰাৰ কাৰণে টকাৰ অভাৱ নহব। অলপ চেষ্টা কৰিলেই চাহ শিল্পৰ পৰা টকা পাবপাৰি, কাৰণ চাহ শিল্পৰ অৱস্থা আগতকৈও ভাল হৈছে। গতিকে মই আশা কৰো অতি সোনকালে এটি ব্যৱস্থা কৰি বনুৱা সকলৰ লৰা-ছোৱালীৰ শিক্ষাৰ সুবন্দবস্ত কৰে যেন।

এই প্ৰসঙ্গতে আৰু এটা কথা কব খোজো। বহুত বাগিছাৰ কৰ্তৃপক্ষ্যৰ ব্যৱহাৰ এতিয়াও বৰ অবাঞ্চনীয়। তেওঁবিলাকে পৰাধীন অৱস্থাত যেনেকৈ বাগিছাৰ বনুৱা আৰু কৰ্ম্মচাৰীক ব্যৱহাৰ কৰিছিল, এতিয়াও সাৰ্ব্বভৌম লোকতন্ত্ৰ প্ৰতিস্থিত হোৱাৰ পিচতো তেনে ব্যৱস্থা কৰিবলৈ পাহৰা নাই। এই সৰ্ম্পকেও চৰকাৰে চকু দিয়া বাঞ্চনীয়।

ৰবৈয়াত বাগিছাৰ বনুৱাসকলৰ সামাজিক শিক্ষাৰ কাৰণে যি এখন স্কুল খোলা হৈছে, বাগিছাৰ কৰ্তৃপক্ষৰ খামখেয়ালীত সিও অচল অৱস্থাত পৰিণত হৈছে।

মাতৃত্ব মঙ্গল (মেটাৰনিটি বেনিফিট) সম্বন্ধে Dr. Jones এ যি চাৰিমাহৰ ব্যৱস্থা কৰিবলৈ পৰামৰ্শ (recommend) দিছিল, আজি দুবছৰৰ পিচতো সেইটো কাৰ্য্যকৰী হৈ নুঠিল।

আজি বহুত দিনৰ আগৰে পৰা বাগিছাৰ বনুৱাসকলে নিজে খেতি কৰি ভোগ কৰি অহা সুবিধাকো এইবাৰ বাগিছাৰ কতৃপক্ষ্যৰ খাম-খেয়ালীত খোৰাকি (ৰেচন) বন্ধ কৰি বেমেজালি ঘটাইছে। ওপৰোক্ত বিষয় বিলাকত চৰকাৰে চকু দিব বুলি আশা কৰিলো।

চৰকাৰী মটৰ চাৰ্ভিচ (State Transport) বিভাগটো ভালেই চলিছে। কিন্তু ষাই ষ্টেচন বিলাকত ওপৰঞ্চি গাড়ীৰ ব্যৱস্থা নথকাত একেখন গাড়ীকে জিৰণি নিদি, যত্নও নোলোৱাকৈ কামত লগোৱাৰ কাৰণে গাড়ীৰ আয়ুস কমিব ধৰিছে আৰু সময়ে সময়ে গাড়ী বেয়া হৈ মাজ বাটতে আৰোহীৰ অসুবিধাও ঘটাইছে। লগতে এই চৰকাৰী মটৰ চাৰ্ভিচটো দূৰ্নীতি সোমাইছে। বিনা টিকতে ড্ৰাইভাৰে আৰু কণ্ডাক্টৰে চৰকাৰৰ টকা আত্মসাৎ কৰিছে। এই দূৰ্নীতিবিলাক দেখুৱাই দিলেও কতৃপক্ষই ভালকৈ মনকান নকৰা হৈছে। ইয়াৰ পৰা দেখা যায় যে কৰ্ত্তপক্ষই দূৰ্নীতি বঢ়োৱাত সহায় হে কৰিছে। শ্বিলঙৰ চৰকাৰী মটৰ চাৰ্ভিচৰ উচচ কৰ্ম্মচাৰী দুজনমানৰ তলতীয়া কৰ্ম্মচাৰীসকলৰ প্ৰতি বৰ বেয়া ব্যৱহাৰ বুলি ওজৰ পোৱা হৈছে। এনেকুৱা ব্যৱহাৰ চলি থাকিলে অবাঞ্চিত ঘটনাও কেতিয়াবা ঘটিব পাৰে।

দেশত বেমেজালি ঘটিছে কিয় ? এইটো বিশদ ভাবে ফঁহিয়াই চালে দেখা যাব যে কিছুমান চৰকাৰী কৰ্ম্মচাৰীৰ কৰ্ত্তব্যৰ শিথিলতা, ৰাইজৰ প্ৰতি বেয়া ব্যৱহাৰ, ধনী সম্প্ৰদায়ৰ দ্বাৰা জনসাধাৰণক শোষণ, ব্যৱসায়ী সকলৰ চোৰা বজাৰ, অতি লাভ ও বহুধনলিপ্সা, মাটিগিৰী সকলৰ তলতীয়া ৰায়তৰ প্ৰতি অসৎ ভাৱ আৰু মালিকৰ বনুৱাৰ প্ৰতি অসৎ ব্যৱহাৰ আদিয়েই কমিউনিজমৰহে ইন্ধন যোগাইছে। চৰকাৰে এইবিলাক বিষয়ত চোকা দৃষ্টি ৰাখিব লাগে।

মাননীয় মন্ত্ৰীসকল ভ্ৰমনলৈ ভ্ৰমনত গলে তেখেত সকলৰ বিভাগৰ বা আন বিভাগৰো আৱশ্যকীয় কৰ্ম্মচাৰীৰ বাহিৰে আৰু বহুতো কৰ্ম্মচাৰী নেগুৰৰ দৰে ওলমি ভ্ৰমন বানচ আদায়

(Travelling allowance draw) কৰি চৰকাৰৰ খৰচৰ মাত্ৰাহে বঢ়ায় প্ৰকৃত কাম একোৱেই নহয়। এই সম্বন্ধেও চৰকাৰৰ দৃষ্টি আকৰ্ষণ কৰিলো।

খেতিয়ক আৰু বনৱাই হৈছে দেশৰ মেৰুদণ্ড গতিকে খেতিয়ক আৰু বনুৱাসকলৰ সুবিধাৰ কাৰণে চহৰৰ পৰা বহুত দূৰত থকা গাওঁ বিলাকৰ আলি পদুলী, স্কুল, হাস্পতাল আৰু পুখুৰী আদিলৈ চকু দিয়াতো চহৰৰ দৰে প্ৰয়োজন হৈ পৰিছে। মানুহ জীয়াই থাকিবলৈকে আৱশ্যকীয় খাদ্য বস্তু ৰ যাতে অভাৱ নহয় তাৰ কাৰণেও চৰকাৰ সজাগ হোৱা উচিত, খেতি নোহোৱা ঠাইৰ মানুহক দুৰ্ভিক্ষৰ পৰা ৰক্ষা কৰিবলৈ চৰকাৰে খাদ্য বস্তু জমা ৰাখিছে নে নাই কব নোৱাৰো; শ্বিলঙৰ নিচিনা ঠাইৰ কাৰণেও খাদ্যবস্তুৰ জমা ৰখা একান্ত বাঞ্চনীয়।

সামৰণিত ইয়াকে কব খোজো যে আমাৰ চৰকাৰে সকলো বিষয়তে সুদৃষ্টি ৰাখি যাতে জন সাধাৰণৰ কষ্ট লাঘৱ হয় তালৈ চকু দিয়ে, ইয়াকে কৈ মই মোৰ বক্তব্যৰ সামৰণি মাৰিলোঁ।

**Mr. MANIRAM MARAK**: Madam, I stand before the House to speak something which are most essential and urgently needed. The oppression of people from Pakistan in our side of Garo Hills is growing more and more. Every now and then they visit the border areas with arms and ammunitions and threaten the people of Garo Hills. Sometimes they loot properties and give much harassment to the people of Garo Hills. They suspect the people of Garo Hills that the Garos are supporting and giving shelter to the Hajong Communists, and providing them with instruments to defend them. Otherwise they think that the simple Hajongs would not dare face them. Since the posting of Military force at Baghmara their movement or visit to the border areas is a bit less. But to the areas beyond Baghmara and to Moheskhola these Pakistan people are still rushing, because the Military posted at Baghmara cannot petrol in those areas for want of communication. Therefore I earnestly request the Government to make a permanent road all along the border, from Mohendraganj to Moheskhola immediately and to post permanent Military forces at Mohendraganj, Dalu, Baghmara and Moheskhola in order to protect the Garo Hills District from a serious danger. The temporary road which runs from Mankachar to Mohendraganj and Tura to Baghmara will be made totally unpassable when the rains come and we the border people would be put nowhere. I could come to know that the Military force posted at Baghmara will be removed very soon, just before the road is cut off. If it comes into effect who will guard the border areas? Who will save and defend us from the danger? If the Pakistan all on a sudden happens to invade the Garo Hills, how and in what way the Government will save us. I do not think they will be able to do so. I therefore earnestly request the Government to take all necessary precaution before any danger comes to us.

Madam, I think Government understood that 100 to 1000 refugees of tribal Hindus and caste Hindus are coming into Assam. Some are coming with very little property and some empty handed. They have to lodge themselves in open place and with empty stomach. Therefore I urge the Government to arrange for refugee camps with foodstuffs at Tura, Mankachar, Mohendraganj, Dalu and Baghmara immediately

I have been informed that more than a lakh of Hindus who were trying to escape from Pakistan immoral punishment have been given and ill treatment shown at Sherpur side. In this respect Government should take immediate steps.

As regards communal trouble, Madam, I remember that during his visit to Garo Hills the Hon'ble J. J. M. Nichols-Roy said in the speech delivered there that all the nations living in one District, whether Bengalees, Garos, Nepalese or Mahommedans should live together and co-operate as children of the same parents, otherwise none could run the administration smoothly. But now I find there are communal troubles at Tura. On last Monday at

about 11 or 12 o'clock at night a communal trouble occurred there and big stones were thrown at all the houses of the Mahommedans and thus damaged those houses and also some properties were looted from them. These troubles should kindly be stopped immediately.

As regards dispensaries, Madam, Government proposed to construct one dispensary at Ghosgaon and for this tenders were called for and also for shifting the dispensary from Baghmara proper to Baghmara bazar tenders were called for and the site and materials were made ready by the contractors, but now all the works have been suspended. What is the reason, Madam, for so doing ? Have these proposals been suspended only for some time or been totally stopped ? I therefore earnestly request the Government to start those works immediately.

As regards the Supply Department in Garo Hills, Madam. This Department is doing nothing and the staff is sitting tight there, and has no keen interest to work. There is no sufficient sugar, no flour available—we are getting this only one pawa or at the least half a seer per family for one week which is quite insufficient. No corrugated iron sheets and cement have been issued for many years. For all this our public are suffering very much.

No paddy stocking has been done up-to-date. Some small quantity of paddy was stocked at Mankachar where paddy is surplus. What is the use of stocking paddy there at Mankachar ? A place like Mankachar is the gate for smuggling away paddy. So, Madam, paddy should be stocked at Garobadha, Tura, Dalu and Baghmara as these places are deficit areas. I therefore earnestly request the Government to remove the paddy stock from Mankachar to Tura immediately. Otherwise all the paddy stocked there will be smuggled away very soon.

With these few words, Madam, I resume my seat.

**Mr. LARSINGH KHYRIEM** : Madam, Deputy Speaker, I rise to congratulate the Hon'ble Finance Minister for he has been able to reduce the deficit this year. I hope next year he would be able to balance the Budget. I have no mind to take part in this discussion, but to ventilate the sufferings of our people in the border areas. I think most of the hon. Members of this august House might have heard of the miseries of our people. But none could imagine the real situation if he has not seen with his own eyes.

As you know, some of these people own paddy fields during pre-Partition days having now fallen in Pakistan. These people could not cultivate them as Pakistani people would not allow them to bring the paddy to their own homes. Last year most of their paddy were cut and taken away by the Pakistanis. To add to their misery the people in the border areas have no food crops as the land is not suitable for paddy cultivation. The only crops they have are oranges, pan leaves, betel nuts, pineapples and tezpata leaves.

Before the Partition these people got their rice from those areas which are now under Pakistan and all their commodities were also purchased by those people. Since last October, Pakistan stopped all trade relations with our people. As a result of this stoppage the people having no alternative but to approach the Government to help them to divert the trade. In response to the request of these people, Government opened an airstrip at Shella and gave also some trucks to the people of Dawki area.

In this connection I have to bring to the attention of Government that the oranges that have been diverted from Dawki to Shillong, Gauhati and other places are very little in quantity and have been done so with great difficulty. Not to speak of the vast areas situated at distant places stretching about 140 miles from East to West who could not divert a single orange. Therefore most of the oranges in the

stretch of 140 miles were left unplucked and fallen down rotten. Now the orange season is almost over. But we shall not forget the pan leaves which is an all year round commodity and is also left unplucked and uncared for. As you know, Madam, the only means of livelihood of these people is the sale proceeds of these money crops. Due to this trade deadlock the majority of the labour class have no work and thereby have no money to buy rice. It is reported that there are people who are eating jungle roots. I am afraid, if these things are going on like this all will be affected with all sorts of diseases in the long run.

To add to their miseries there is a feeling of insecurity due to the incidents caused by the Pakistanis where two Nepalis and one Khasi were shot dead in the border and moreover there are constant harassments of looting along the border.

**The DEPUTY SPEAKER:** How long will the hon. Member take ?

**Mr. LARSINGH KHYRIEM:** I will take only two minutes more, Madam.

In order to save these people, I appeal to Government and to the hon. Members to lend their sympathy and support to these hard-hit people, firstly by giving free rations and exemption of house tax for those deserving cases. Secondly, to open feeder roads in the border with a view to connect it with big markets within the State and thirdly, to help them to find a market to divert their commodities. If they cannot find a market, I am afraid, they will not be able to stand long.

So my last request is to lose no time to give them help—delay means disastrous.

With these few words, Madam, I resume my seat.

**Adjournment**

The Assembly was then adjourned till 1-30 P. M. on Friday, the 17th March, 1950.

SHILLONG:
The 28th April, 1950.

R. N. BARUA,
*Secretary, Legislative Assembly, Assam.*

A.G. P. (L. A.) No.194/49—118+2—2-5-1950.